# Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakshinath Bezbaruah | |
| Title: বাঁহী | |
| Transliterated Title: Baãhai | |
| Translated Title: | |
| Place of Publication: Kolkota (Calcutta) | Publisher: Editor. |
| Year: 1913, 14, 15, 16, 17, | Edition: |
| Size: 21 cms | Genre: Magazine |
| Volumes: IV, V, VI, VII, VIII | Condition of the original: Brittle. |
| Remarks: 1st 2 volumes reprinted in the year 1999. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| Microfilm Roll No: | From gate: | To gate: |
|---|---|---|

৭/১০ সত্তৰ বছৰ দশম সংখ্যা


| বিষয় | পিঠি |
|---|---|
| মৰ্ম্মবাণী | ৪২৭ |
| সম্পাদকৰ চ'ৰা | ৪২৮ |
| বিদ্ৰোহত হিন্দুধৰ্ম্মৰ উন্নতি | ৫০০ |
| তুমি আৰু মই | ৫০৬ |
| কল্পিত ৰজা | ৫০৭ |
| বৰবৰুৱাৰ যাতৰি ফাকত | ৫১০ |
| ম্যাদাম কুৰে | ৫১৩ |
| গদ্য কবিতা | ৫১৮ |
| দিল্লীত দিনদিয়েক | ৫২১ |
| মহাপুৰুষ শ্ৰী শঙ্কৰদেৱ | ৫২২ |
| কামৰূপ মহাপুৰুষীয়া ধৰ্ম্মালোচনী সভা | ৫৩৬ |
| গোহাটি | ৫৩৮ |
| ৰজাঘৰীয়া পুৰণি চিঠি | ৫৪০ |
| ঈদ মোবাৰক | ৫৪২ |
| বসন্তৰ শোভা | ৫৪৩ |
| তুমি- মই | ৫৪৪ |

# মৰ্ম্মবাণী।

ধৰমৰ নামত কত অধৰম,
পুণ্যৰ নামত পাপ
সঁচাৰ নামত কত মিছা কথা,—
দেখি মোৰ লাগিছে তাপ !
প্ৰেম-ঢাকোনেৰে বিশ্বাসঘাতকতা,
সোৱাদৰ আৰেৰে তিতা
কত নো দেখিম ! কত নো শুনিম !
নোৱাৰোঁ সহিব, মিতা !
মিতাতকৈও মিতা ! বিশ্বাসৰ বন্ধু !
তুমি আছা ; মই আছোঁ।
তোমাতে সঁপিছোঁ সকলো বিশ্বাস,
গোটেই জীৱন দিছোঁ।
ভূমিৰ কুলটি মউটুপি লৈ
তোমাৰে ফাললৈ চায় ;
স্বাৰ্থত অন্ধলা গোটেই সংসাৰে
গচকি চলিছে হায় !
জোল হওক দেহা, আতমা অক্ষত
উঠিছে তোমাৰ ফালে।
তোমাৰ শীতল হাত বুলনিত
শঁতাব অনন্ত কালে।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা।

# সম্পাদকৰ চৰা।

Politics ৰাজনৈতিক কথাৰ আলচ বাঁহীয়ে নকৰে ;—কৰিব নাজানেও। সন্মানৰ থাপৰ একেবাৰেই নামনিত নিবাসী বাঁহীয়ে কানৰ ভিতৰত—বনত গৰখীয়াৰ গীত গায়, লগৰীয়া গৰখীয়া লৰা, গৰু-গাই আৰু গৰুপোৱালিবে সৈতে নাচে, আৰু কুলকুলকৈ বৈ যোৱা নৈক নচুৱাই আনন্দ উপভোগ কৰে। বাঁহীয়ে পুৱা গধূলি কৃষ্ণ বোলে, দুপৰৰ বদত কদমৰ তলত জিৰাই ৰাধা বোলে ; আৰু লোকক হকতে বা অনাহকতে হতচিৰী-হোৱা, গৱিহা-খোৱা, হিংসাকুৰীয়া নোবোলে, বুলিবও নাজানে। সেই বুলি যে বাঁহী নিজৰ দেশৰ দুখত দুখিত আৰু দেশৰ সুখত সুখী নহয়, এনে নহয়। ৰজাৰ প্ৰজাৰ বডত বাঁহীৰ বং, ৰজাৰ প্ৰজাৰ দুৰ্ম্মতিত বাঁহীৰ মৰ্ম্মান্তিক বেজাৰ হয়,—এই কেৱা কথা বাঁহীয়ে কলে আৰু।

***

আগৰ বেলি অসমীয়া এজনক অসমীয়াই বৰলাটৰ আইন-সভালৈ পঠিয়াইছিল। অসমীয়াজনে প্ৰাণপণে আসামৰ ভালৰ হকে যথাসাধ্য চেষ্টা কৰিছিল ; বৰলাটৰপৰা আৰম্ভ কৰি সকলোৱে তেওঁৰ চেষ্টাৰ মোল বুজিছিল আৰু স্বীকাৰ কৰিছিল। কিন্তু সেই অসমীয়াজনক বুধিয়ক অসমীয়াই এইবাৰ সেই সভালৈ বাছি নপঠিয়ালে! আগৰ বাৰৰ সভাত সকলো কাৰ্য্যৰ দিহা বুজি বহুদৰ্শিতা লাভ কৰি অসমীয়াজন পকি উঠিছিল, এই ডাঙৰ লোমতে বোধকৰোঁ। তেওঁ উপাৰ্জ্জন কৰা জ্ঞানৰ ফল অৱশ্যে এইবাৰ আসামে ভালকৈ ভোগ কৰিবলৈ পালেহেঁতেন ; কিন্তু অসমীয়াই তেওঁক এইবাৰ বাছি সেই সভালৈ নপঠিয়াই সেই ফলভোগ কৰাৰপৰা নিজক সাবধানে বঞ্চিত কৰি থলে ; অৰ্থাৎ অসমীয়াই নিজৰ ভৰিত নিজে কুঠাৰ মাৰি চাব খুজিলে,—কুঠাৰেই চোকা নে ভৰিয়েই টান। অসমীয়া বোলোতে আসামৰ আইন-সভাৰ এটাইকেইজন অসমীয়াকে যে আমি তাৰ ভিতৰত পেলাইছোঁ, এনে নহয় ; কাৰণ এজন কি দুজনৰ বাহিৰে আন কেইজন, আসামৰ হিতাকাঙ্ক্ষী আন সভ্যসকলেৰে সৈতে লগলাগি পোন বাটেদিয়েই গৈছিল ; কিন্তু পালাপাকাত, আওনটীয়া এজনৰ ভৰ পৰি আমাৰ আগৰ অসমীয়া পদপ্ৰাৰ্থীজন দাংখালে। ফলত [illegible] মা উপত্যকাৰ এজন বৰলাটৰ সভালৈ গল, যি জনক, তেওঁ বাস কৰা ঠাই[illegible]ৰ আসামৰপৰা ফালি নি বঙ্গত লগাবলৈ গৱৰ্ণমেণ্টক প্ৰাৰ্থনা কৰিবলৈ সাজু হোৱা কেতিয়াবা দেখোঁ। তেওঁ বাছনিত উঠাত "বসুমতী"কে আদি কৰি বঙ্গলা



কাকতবোৰে "আসামে বাঙ্গালীৰ জয়" বুলি জয়ঢোল কোবাইছে ; যদিও বাছনিত উঠা সভ্যজনে গুৱাহাটীৰ সভাত সিদিনা কৈছিল—"মই অসমীয়াও নহওঁ, বঙ্গালীও নহওঁ ; মই আসামবাসী।" সচাঁকৈ কৈছোঁ, এই ফাকি কথাৰ মানে কি, ভোটা-বুধীয়া বাঁহীয়ে বুজিব পৰা নাই। তেওঁ যদি অসমীয়াও নহয়, বঙ্গালীও নহয়, তেন্তে তেওঁ কি? তেওঁ তো ইংৰাজ নহয়েই; কাৰণ তেওঁৰ মূৰত হেট উঠিলেও বৰণ কলা ; মাৰোৱাৰি নহয়েই; কাৰণ তেওঁৰ মূৰত পাগুৰী আৰু ককালত ওভোতাইমৰা চুৰিয়াৰ খোৰ নাই। তেওঁ আসামবাসী নেপালী নহয়েই, কাৰণ তেওঁৰ মহ-খুটি নাই। এতেকে তেওঁ কি তাৰ সম্বন্ধে তেওঁৰ পেটতহে বল। ইংৰাজীত "Neither fish, nor fowl, nor good red herring" বুলি এষাৰ বচন আছি কৌটিকালৰপৰা চলিব লাগিছে। আমি কেইবাবছৰো ইংৰাজী পঢ়িছিলোঁ, কিন্তু কোনোপধ্যে তাৰ অৰ্থৰ ভিতৰত প্ৰবেশ কৰিব নোৱাৰিলোঁ ;—আজিলৈকে পৰাও নাই। চৰাইও নোহোৱা, পহুও নোহোৱা এবিধ প্ৰাণী আছে হয়, কিন্তু তাৰো দেখোন এটা নাম আছে। যি হওক,—এই অসমীয়া আৰু বঙ্গালী নোহোৱা মাননীয় সভ্যজনক যি অসমীয়াই সহায় কৰি, আগৰ অসমীয়া বুলি দ-কৈ গাত ছাব পৰা অসমীয়াজনক হৰুৱাই, অসমীয়াৰ প্ৰতিনিধি পাতি দিছে, সেই অসমীয়াৰ গুণ অসমীয়াই সদায় মনত ৰাখিব।

***

সভ্যজন চিলঙত বাছনিত উঠা মাত্ৰকতে ইফালে গুৱাহাটীত গুৱিধবাসকলে চাহপানী তপতাবলৈ চাহদানি জুইত তুলি দিলেই, যাতে তেওঁ লৰি আহি তপতে তপতে এচোকা চাহপানী খাই ডিঙিটো থৰিকাই লৈ আমাৰচেৰেক বক্তৃতা কৰি গুৱিয়ালসকলৰ ওচৰত কৃতজ্ঞতা জনাব পাৰে। এই গুৱিয়ালসকলৰ গুৱিত নে আগত কব নোৱাৰোঁ, আত্ম-সম্মানেৰে ঠিহ খোৱা আমাৰ অসমীয়াও আছিল, যাৰ মনত, আগৰবাৰ আমাৰ অনবেৰোল বক্তাক চেঁচা চাহপানী এটোপা যাচিবলৈকো নেখেলাইছিল। কলিকতাত অসমীয়া ছাত্ৰসকলেহে জানিবা সেইবাৰ বক্তা ডাঙৰীয়াক, দুখীৰ-দুখী-অৱস্থাৰে চাহপানী এটোপা খুৱাই অভ্যৰ্থনা কৰি, তেওঁ-লোকৰ বৰমূৰীয়া অসমীয়া "গাৰ্জিয়েন" সকলৰ মান ৰাখিছিল। যি হওক, মূঠতে কোৱা উচিত, অসমীয়া "পব্লিক মেন" বৰমূৰীয়াসকল শ্ৰদ্ধাৰ পাত্ৰ ; কাৰণ তেওঁলোকে নিজৰ বৰ-কুঠাৰত নিজে ভালকৈ শান দিব জানে।

***

আসামৰ ভবিষ্যত বৰ উজ্বল! অসমীয়াৰ আত্ম-সম্মান যোল-অনা এক পইচা!! সেইবাবে বাঁহীৰ বৰ সন্তোষ!!!

---

# বিদ্রোহত হিন্দুধৰ্ম্মৰ উন্নতি।

(৪)

ৰামমোহন ৰায়ৰ মৃত্যুৰ কিছুমান বছৰৰ পিছত ইংৰাজৰজাৰ আমোলত আৰু এজন মহাপুৰুষৰ দ্বাৰাই হিন্দুধৰ্ম্মৰ বিপক্ষে বিদ্রোহ ঘোষিত হয়। তেওঁৰ নাম স্বামী দয়ানন্দ সৰস্বতী। কাথিয়াৱাৰৰ মৰ্‌ভি নামে ঠাইত ১৮২৪ খৃষ্টাব্দত দয়ানন্দ স্বামীৰ জন্ম হয়। তেওঁৰ আচল নাম মূলশঙ্কৰ। তেওঁৰ বাপেক শৈৱ সম্প্রদায়ৰ লোক আছিল। ১৪ বছৰ বয়সতে মূলশঙ্কৰৰ, গোটেইখন যজুৰ্ব্বেদ মুখস্থ হৈছিল. মৰ আন কেইখন বেদৰো অনেক অংশ, আৰু ব্যাকৰণ তেওঁৰ মুখস্থ হৈছিল। এদিন ৰাতি শিৱৰাত্রিত ১৪ বছৰীয়া মূলশঙ্কৰ ঘৰৰ আন সকলোৰে সৈতে নিয়মতে ব্রত-উপবাস কৰি উজাগৰে আছিল। ৰাতি বেছি হলত আনবোৰ মানুহৰ টোপনি আহিল, কিন্তু ধৰ্ম্মকাৰ্য্যত দৃঢ়বিশ্বাসী এহাতুধীয়া লৰা মূলশঙ্কৰৰ চকুত এটা টিপকে নাই। এবাৰ তেওঁ দেখিলে যে শিৱৰ আগত দিয়া নৈবেদ্যবোৰ কৰবাৰপৰা এটা এন্দুৰে আহি খাব লাগিছে আৰু শিৱৰ গাত উঠি শিৱকো লুটিয়াই পেলাই লণ্ডভণ্ড কৰিব লাগিছে। তেওঁ দেখি অবাক হৈ ভাবিলে—ইংকি কথা! যি মূৰ্ত্তিক আমি ইমান ভয় কৰোঁ, যাক ইমান ক্ষমতাশালী বুলি ভাবোঁ, এটা এন্দুৰে তেওঁৰ আগতে তেওঁৰ নৈবেদ্য খাই তেওঁক লণ্ডভণ্ড কৰিলে! মিছা, এই মূৰ্ত্তিৰ গাত একো ক্ষমতা নাই, আমি মিছাকৈহে এনেবোৰ জড় বস্তুক ঈশ্বৰ বুলি ভাবি পূজা কৰোঁ।।' এনেকুৱা চিন্তাই তেওঁৰ মনত ঠাই ললত, তেওঁ বাপেকক জগাই সেই কথা কলে। বাপেকে পুতেকক ছুটা-চাইটা কথাৰে তেনেকৈ ভাবিব নাপায়, কৰ নেপায় বুলি বুজালে হয়,কিন্তু মূলশঙ্কৰৰ মনৰ সন্দেহ আৰু অশান্তি নুগুচিল। ইয়াৰ পিছত ঈশ্বৰ, জীৱন, মৰণ ইত্যাদি সমস্যাৰ বিষয়ে মূলশঙ্কৰে সদায় মনত ভাবে আৰু তাৰ কোনো সহুত্তৰ নাপায়। সাত বছৰ মূলশঙ্কৰে এনেকৈ ভাবি চিন্তি আৰু ঘৰতে অনেক পুথি পঢ়ি আছিল। কিন্তু তেওঁৰ চিন্তাশীলতা আৰু মনৰ অশান্তি বাঢ়িল হে। পুতেকক



সদায় তেনে চিন্তাশীল হৈ থকা দেখি বাপেক মাকে সেই ৰোগৰ ঔষধ—বিয়া কৰাই দিবলৈ থিৰ কৰিলে। পুতেকৰ কিন্তু সেই ঔষধত শ্রদ্ধা নাই। এদিন মূলশঙ্কৰ ঘৰৰপৰা পলাই গল, আৰু নানা ঠাইত বাৰ বছৰ তেওঁ এনে এজন সদ্গুৰু অন্বেষণ কৰি ফুৰিছিল যি তেওঁৰ মনৰ সন্দেহ প্রকৃতৰূপে ভঞ্জন কৰি দিব পাৰে। হিমালয় প্রদেশৰ অনেক ঠাইত নানাতীৰ্থস্থানত অনেক সন্ন্যাসী অনেক গুৰু পণ্ডিতৰ ওচৰত তেওঁ শাস্ত্র পঢ়িলে, যোগ অভ্যাস কৰিলে, কিন্তু এনেকুৱা কাকো নাপালে, যি তেওঁ বিচৰা বস্তু দিব পাৰে। অৱশেষত তেওঁৰ অভীষ্ট সিদ্ধি হল, মথুৰাত স্বামী বিৰজানন্দ নামে এজন অন্ধ বিখ্যাত মহাত্মা পণ্ডিত গুৰুক তেওঁ পালে, যাৰ ওচৰত শাস্ত্র পাঠ কৰি যাৰ উপদেশ আৰু তত্বজ্ঞান শুনি তেওঁৰ মনৰ সন্দেহ ভঞ্জন হল।

স্বামী বিৰজানন্দ সৰ্ব্বসাধাৰণ বিধৰ গুৰু নাছিল; বেদত তেওঁৰ অগাঢ় পাণ্ডিত্য আৰু পৰম বিশ্বাস আছিল, আৰু বেদৰ বাহিৰে পুৰাণাদি শাস্ত্রত সমূলী শ্রদ্ধা বিশ্বাস নাছিল। বিৰজানন্দ স্বামীৰ দৃঢ় বিশ্বাস আছিল যে বেদে বিধান দিয়া পুৰণি নিষ্কলঙ্ক আৰু পৰম পবিত্র সত্য বৈদিক ধৰ্ম্মক পিছৰ পুৰাণাদিৰ দ্বাৰাই কলঙ্কিত আৰু অৱনত কৰা হল; সেইদেখিয়েই প্রাচীন বৈদিক ধৰ্ম্ম ভাৰতত আকৌ প্রচাৰিত হোৱা উচিত। তেজস্বী আৰু প্রতিভাশালী ডেকা মূলশঙ্কৰক তেওঁ শিষ্যৰূপে পাই, তেওঁৰ মনত আশা হল, যে সেই কাৰ্য্য এই শিষ্যৰ দ্বাৰাই সাধিত হব পাৰিব। ইয়াকে ভাবি তেওঁ মূলশঙ্কৰক অতি যত্নেৰে শিক্ষা দি সেই মহাকাৰ্য্যৰ নিমিত্তে প্রস্তুত কৰিলে আৰু তেওঁৰ নাম দয়ানন্দ দিলে। আঢ়ৈবছৰ গুৰু বিৰজানন্দৰ ওচৰত বিদ্যা শিক্ষা কৰি অন্তত শিক্ষা সমাপন কৰি, এদিন দয়ানন্দই যেতিয়া গুৰুৰ চৰণত আদ-সেৰ লং থৈ গুৰুক সেৱা কৰি বিদায় মাগিলে, তেতিয়া গুৰুৱে তেওঁক আশীৰ্ব্বাদ দি, উপযুক্ত গুৰুদক্ষিণা খুজিলে। দয়ানন্দই কলে যে তেওঁৰ হাতত আৰু এনে একো নাই যি বস্তু তেওঁ তেওঁক দিব পাৰে। বিৰজানন্দই এই কথা শুনি উত্তৰ দিলে "তুমি ভাবিছা নে যে তোমাৰ হাতত নথকা বস্তু মই খুজিছোঁ?" দয়ানন্দই কলে "প্রভু, মোক আদেশ কৰক, যি বস্তু মোৰ হাতত আছে বুলি আপুনি ভাবিছে, মই তাকে আপোনাৰ চৰণত অৰ্পণ কৰিম।" এই কথা শুনি স্বামী বিৰজানন্দই কলে "বৎস! এটি বস্তু তোমাৰ হাতত আছে; আৰু সেইটো হৈছে—সত্য জ্ঞান। যদি তুমি মোক গুৰুদক্ষিণা দিব খুজিছা তেন্তে এই প্রকৃত জ্ঞান তুমি তোমাৰ মাতৃভূমি ভাৰতবৰ্ষক দান কৰা। ভাৰতবৰ্ষত বেদপাঠ বেদশিক্ষা

অনেক কাল লোপ পাইছে ; তুমি যোৱাঁ, সেই বেদশিক্ষা প্ৰচাৰ কৰাঁ, আৰু তাৰ জ্ঞানৰ পোহৰেৰে অজ্ঞান-এন্ধাৰ আৰু মিছাধৰ্ম্মৰ কুসংস্কাৰ দূৰ কৰাঁ। এটা কথা মনত ৰাখিবা, যে সাধাৰণ মানুহৰ বিৰচিত শাস্ত্ৰই যেনেকৈ এক অদ্বিতীয় মহান্ ঈশ্বৰৰ গুণ আৰু প্ৰকৃতিৰ ওপৰত এন্ধাৰ পেলাই মানুহক বিপথগামী কৰে, কিন্তু প্ৰাচীন ডাঙৰ ঋষি মুনিসকলৰ শাস্ত্ৰ তেনেকুৱা নহয়। এই পৰীক্ষা বা জোখ-কাঠীৰেই তুমি প্ৰাচীন সত্য শাস্ত্ৰৰ সত্য শিক্ষা আৰু পিছৰ কালৰ সাধাৰণ মানুহৰ দ্বাৰাই বিৰচিত আৰু প্ৰচাৰিত অসত্য শিক্ষাৰ পাৰ্থক্য বুজিব পাৰিবা।"

মথুৰাৰপৰা স্বামী দয়ানন্দ আগৰাৰৈ আহি তাত দুবছৰ আছিল। তাৰ পিছত তেওঁ জয়পুৰ, পুৰুৰ ইত্যাদি অনেক ঠাইলৈ গৈ পণ্ডিতসকলেৰে সৈতে প্ৰচলিত হিন্দুধৰ্ম্মৰ বিষয়ে "শাস্ত্ৰাৰ্থ" অৰ্থাৎ তৰ্ক বাদ কৰি বৈদিক একেশ্বৰবাদৰ শ্ৰেষ্ঠতা দেখুৱাই ফুৰিছিল। ১৮৬৭ খৃষ্টাব্দত তেওঁ কুম্ভমেলাৰ সময়ত হৰিদ্বাৰলৈ আহি অনেক পণ্ডিত সাধু সন্ন্যাসী ধৰ্ম্মপ্ৰচাৰকেৰে সৈতে বাদ কৰি, সকলোকে বুজাইছিল যে গঙ্গাস্নান ঈশ্বৰ লাভ আৰু মুক্তিলাভৰ নিমিত্তে সম্পূৰ্ণ অসাৰ্থক আৰু অনাৱশ্যক।

ইয়াৰ পিছত দয়ানন্দই কাশী, ফৰক্কাবাদ, মিৰ্জাপুৰ আদি ঠাইত বেদ শিক্ষা দিবৰ নিমিত্তে পাঠাশালা স্থাপনা কৰে। কিন্তু কিছুকালৰ পিছতে তেওঁ দেখিলে যে নানা কাৰণৰ নিমিত্তে যত্ন সফল হোৱা নাই। ১৮৬৯ খৃষ্টাব্দত তেওঁ কাশীত এখন মহাসভা আহ্বান কৰি অনেক বিদগ্ধ হিন্দু পণ্ডিতেৰে সৈতে, বৰ্ত্তমান কালৰ হিন্দু-ধৰ্ম্মৰ বিষয়ে তৰ্ক কৰে। সেই তৰ্কৰ প্ৰধান প্ৰশ্ন —বৰ্ত্তমান কালৰ মূৰ্ত্তিপূজা বেদ-সম্মত হয় নে নহয়? কাশীৰ পণ্ডিতসকলেৰে সৈতে ঘোৰ তৰ্কযুদ্ধ আৰম্ভ হল। অৱশেষত পণ্ডিতসকলে টেঙৰালি কৰি পুৰাণৰপৰা মূৰ্ত্তিপূজাসমৰ্থক গোটাচেৰেক শ্লোক এডোখৰ কাকতত তুলি আনি দয়ানন্দৰ হাতত দি সেইকেইটা বেদৰ শ্লোক বুলি কলত, দয়ানন্দই শ্লোক কেইটাৰ আঁতিগুৰি ভাবি উত্তৰ দিয়াৰ আগেই গোটেই-বোৰ ব্ৰাহ্মণ পণ্ডিতে "হাৰিল! হাৰিল।" বুলি হুই মাৰি দি হাত-চাপৰি বাই সমাজৰপৰা উঠিল।

ইয়াৰ পিছতো স্বামীজীয়ে বাৰাণসীত কিছুদিন থাকি তেওঁৰ ধৰ্ম্ম অতি উৎ-সাহেৰে প্ৰচাৰ কৰিছিল। বাৰাণসীৰপৰা তেওঁ কলিকতালৈ আহি ব্ৰাহ্মধৰ্ম্ম প্ৰচাৰকসকলেৰে সৈতে দেখা কৰিলে। ১৮৭৪ খৃষ্টাব্দত দয়ানন্দ স্বামী বোম্বাইলৈ যায় আৰু ১৮৭৫ খৃষ্টাব্দত তাতে তেওঁ প্ৰথমতে আৰ্য্য-সমাজ স্থাপন কৰে। অনেক



লোক, বিশেষকৈ পাশ্চাত্য শিক্ষাত শিক্ষিত অনেক লোক স্বামীজীৰ শিক্ষা আৰু ধৰ্ম্ম ব্যাখ্যা সাদৰেৰে শুনি আৰ্য্য-সমাজভুক্ত হল, কাৰণ পাশ্চাত্য শিক্ষাই পুৰণি-বিধৰ হিন্দুধৰ্ম্মত তেওঁলোকৰ বিশ্বাস নবাই থৈছিল, সেইদেখি তেওঁলোক তেওঁলোকৰ মনেৰে আপত্তিজনক অংশবোৰবিৰহিত দয়ানন্দ প্ৰচাৰিত ধৰ্ম্মসমাজৰ ভিতৰুৱা হৈ পৰিল, কিয়নো এই সমাজৰ ভিতৰত থাকিলে হিন্দুত্বৰপৰা তেওঁলোক একেবাৰেই সনম্ভ ছিগিব লগীয়া নহয়। দয়ানন্দই তেওঁৰ প্ৰচাৰিত ধৰ্ম্মমতৰপৰা মূৰ্ত্তিপূজা, শ্ৰাদ্ধ, অৱতাৰবাদ, তীৰ্থভ্ৰমণ, গুৰুপূজা, ইত্যাদি গুচাই দিছিল দেখি, পাশ্চাত্য উচ্চশিক্ষাত শিক্ষিতসকলৰ আপত্তিজনক কোনো বিষয় তাত নাছিল। তেওঁলোকে দেখিলে যে আচল হিন্দুধৰ্ম্ম তেওঁলোকে যেনে কুসংস্কাৰপূৰ্ণ বুলি ভাবি-ছিল আৰু শুনিছিল তেনেকুৱা নহয়। দয়ানন্দই ব্যাখ্যা কৰি দেখুৱা হিন্দুধৰ্ম্মত, খৃষ্টান পাদ্ৰীসকলে আক্ৰমণ কৰি থকা পৌৰাণিক কথাবিলাক নাই দেখি তেওঁ-লোকে মনত সাহেৰে আৰ্য্য-সমাজৰ ভিতৰত সোমাবলৈ ধৰিলে। ১৮৭৬ খৃষ্টাব্দত দয়ানন্দই উত্তৰ-ভাৰতলৈ আহি পঞ্জাবৰ আৰু ইউনাইটেড্ প্ৰভিন্সৰ অনেক ঠাইত আৰ্য্য-সমাজ স্থাপনা কৰিলে। ১৮৮৩ খৃষ্টাব্দৰ ৩০ অক্টোবৰত ৫৯ বছৰ বয়সত দয়ানন্দ সৰস্বতীৰ আজমীৰত মৃত্যু হয়। তেওঁ বক্তৃতাদিৰ দ্বাৰাই তেওঁৰ ধৰ্ম্মমত প্ৰচাৰ কৰাৰ বাহিৰেও অনেক পুস্তক ৰচনা কৰে। "বেদ ভাষ্য" নামেৰে তেওঁ এখন কিতাপ লেখিছিল, কিন্তু সেইখন সম্পূৰ্ণ হোৱাৰ আগেয়েই তেওঁৰ মৃত্যু হয়। "ঋক্‌বেদ ভাষ্য ভূমিকা" নামে তেওঁ এখন কিতাপ লেখি তাত দেখুৱায়, কেনেকৈ বেদ সকলো উচ্চভাৱ উচ্চশিক্ষা আৰু গভীৰ তত্ত্বৰ আকৰ, আৰু দৰ্শন বিজ্ঞানৰ সকলো তত্ত্বৰ গুৰি কেনেকৈ বেদতে নিহিত হৈ আছে। "সত্যাৰ্থ প্ৰকাশ" নামে এখন গ্ৰন্থ লেখি তেওঁ তাত আৰ্য্যাৱৰ্ত্তত প্ৰচলিত হিন্দুধৰ্ম্মৰ দোষবোৰ দেখুৱায় আৰু বেদৰ বাহিৰে আন শাস্ত্ৰই প্ৰতিপাদন কৰা মত আৰু কাৰ্য্যবোৰ যে কলঙ্কিত, প্ৰমাণ কৰিবলৈ চেষ্টা কৰে।

কিন্তু স্বামী দয়ানন্দই কৰা বেদৰ অৰ্থ "গোৰা" হিন্দু আৰু য়ুৰোপৰ পণ্ডিত-সকল এই দুই দলৰ কোনেও গ্ৰহণ নকৰিলে। দুই দলৰ মত, যে দয়ানন্দ স্বামীৰ বেদ ব্যাখ্যা, চৈয়দ আহমদে ব্যাখ্যা কৰা কোৰাণৰ ব্যাখ্যাৰ নিচিনাকৈ, দয়ানন্দই আগৰেপৰা নিজৰ মনতে ধাৰণা কৰি থোৱা এটা মতকে সমৰ্থন কৰিবৰ নিমিত্তে ঘুৰাই-পকাই কৰা ব্যাখ্যা। দয়ানন্দই বেদক নিৰ্ভুল আৰু ঈশ্বৰ প্ৰকাশিত শাস্ত্ৰ

বুলি ধৰি লৈ সেই মতসমৰ্থকৰূপে তাৰ মন্ত্ৰবোৰৰ ব্যাখ্যা কৰিছে বুলি য়ুৰোপীয় পণ্ডিতসকলৰ বিশ্বাস। কিন্তু দয়ানন্দ স্বামীয়ে ইচ্ছা কৰি বেদৰ তেনে বিকৃত ব্যাখ্যা কৰিছিল বুলি বিশ্বাস নহয়, কাৰণ তেওঁৰ নিচিনা honest এহাশুধীয়া নিৰ্ম্মল চৰিত্ৰৰ মানুহৰ পক্ষে তেনে কাৰ্য্য অসম্ভৱ। তেওঁৰ ব্যাখ্যা ভুল হলেও, সেইটো যে তেওঁৰ অজ্ঞানকৃত, তাত আমাৰ সন্দেহ নাই।

এইটো কিন্তু স্বীকাৰ কৰিবই লাগিব, যে উত্তৰ-ভাৰতত স্বামীজীৰ প্ৰভাৱ আৰু ধৰ্ম্মশিক্ষাই অশেষ সুফল ফলাইছে। স্বামীজীৰ ধৰ্ম্মমতৰ সপক্ষ বিপক্ষ হেজাৰ হেজাৰ লোকক স্বামীজীৰ মত আৰু কাৰ্য্যাই তেওঁলোকৰ এলাহ আৰু জড়তা পৰিত্যাগ কৰোৱাই ভাবিবলৈ আৰু দেশ আৰু সমাজৰ অনেক মঙ্গলজনক কাৰ্য্য কৰিবলৈ শিকালে আৰু উদ্গাই দিলে। আৰ্য্য-সমাজৰ দ্বাৰাই দেশত শিক্ষা বিস্তাৰ হৈ হিন্দুসমাজৰ জড়তা আৰু সঙ্কীৰ্ণতা বিদূৰিত হব লাগিছে। পতিত জাতিক উদ্ধাৰ কৰি, আৰু মুছলমান ৰজাসকলৰ সময়ত হিন্দু-সমাজৰপৰা অলপ কথাতে বিচ্যুত হোৱা লোকসকলক শুদ্ধ কৰি লৈ আকৌ হিন্দু-সমাজত ঠাই দিয়া কাৰ্য্যটো আৰ্য্যসমাজৰ মহৎ কাৰ্য্য। ধৰ্ম্ম আৰু সমাজ সংস্কাৰ আৰু শিক্ষা বিস্তাৰ কাৰ্য্যত আৰ্য্যসমাজে পশ্চিমত বিস্তৰ সফলতা লাভ কৰিব লাগিছে। আৰ্য্য-সমাজ আৰু ব্ৰাহ্ম-সমাজৰ ভিতৰত ধৰ্ম্মমতৰ পাৰ্থক্য খুব কম; কিন্তু আৰ্য্য-সমাজে দেশ হিতকৰ যিমানবোৰ কাৰ্য্য এই মুহূৰ্ত্তলৈকে কৰিব লাগিছে, ব্ৰাহ্ম-সমাজে পৰা নাই। ইয়াৰ কাৰণ, ভাৰতবৰ্ষৰ বঙ্গালী:আৰু পশ্চিমীয়া জাতিৰ জাতীয় স্বভাৱৰ পাৰ্থক্য। বঙ্গালী theoritical অৰ্থাৎ আকাশত চাংপাতি ফুৰোঁতা আৰু কথাৰ মহলা মাৰোতা সৰহ সময়ত; পঞ্জাবীকে প্ৰমুখ্য কৰি পশ্চিমদেশবাসীসকল practical অৰ্থাৎ তেনেকৈ সময় নকটাই কাম কৰোতা সৰহ সময়ত। বঙ্গালীয়ে কামতকৈ মুখৰ কথাত ইমান বেছিকৈ মন দিয়ে যে কামলৈ তেওঁলোকৰ মোনাত থকা শকতি আৰু উৎসাহ টুকাই যায়। পশ্চিমীয়াই কথাও কয়, কামো কৰে,—বৰং কথাতকৈ কামতহে সৰহকৈ নিজক নিয়োজিত কৰে। লাহোৰত "ডি, ভি, এ, কলেজ" হৰিদ্বাৰত "গুৰুকুল," ফিৰোজপুৰ আৰু বেৰেলীত "অৰ্ফেনেজ" আৰু অনেক ঠাইত "এংলো ভৰ্নিকিউলাৰ স্কুল," কাঙ্গাৰাভেলিত ভূইকঁপৰ সময়ত কাৰ্য্য, ৰাজপুতনা আৰু চেণ্ট্ৰেল প্ৰভিন্সত আকালৰ সময়ত আকালতপৰা মানুহৰ সেৱা, ইত্যাদি হাজাৰ হাজাৰ কামে স্বামী দয়ানন্দ প্ৰবৰ্ত্তিত আৰ্য্য-সমাজৰ বিজয়-দুন্দুভি বজাব লাগিছে।



কিন্তু সকলো ধৰ্ম্মত যেনে হয়, আৰ্য্য-সমাজতো লাহে লাহে সেয়ে হৈ পৰিছেহি। সেইটো হৈছে—সঙ্কীৰ্ণতা আৰু সাম্প্ৰদায়িকতা। দয়ানন্দ কেতিয়াও সাম্প্ৰদায়িক আৰু সঙ্কীৰ্ণ নাছিল। সঙ্কীৰ্ণতা আৰু সাম্প্ৰদায়িকতাৰ বিৰুদ্ধেহে তেওঁ থিয় হৈছিল। কিন্তু আজিকালি অনেক নতুন উৎসাহী আৰু ডেকা আৰ্য্য-সমাজীয়াৰ দ্বাৰাই সাম্প্ৰদায়িকতা আৰু সংকীৰ্ণতা আৰ্য্য-সমাজত সোমাইছে। এই প্ৰথৰ উছাহী ডেকা আৰ্য্য-সমাজীয়াসকলে ভাবে যে আৰ্য্য-সমাজভুক্ত নোহোৱা লোক তেওঁলোকতকৈ অনুদাৰ আৰু কুসংস্কাৰপূৰ্ণ। তেওঁলোকৰ অতিৰিক্ত উৎসাহে আৰু মইমতীয়া স্বভাৱে তেওঁলোকক ইমান আগবঢ়াই লৈ গৈছে যে, তেওঁলোক অনেক বিষয়ত aggressive হৈ পৰি পৰৰ বিৰক্তিজনক হৈ উঠিছে। তেওঁলোকৰ এনে স্বভাৱৰ নিমিত্তেই মুছলমানসকল তেওঁলোকৰ শত্ৰু হৈ পৰিছে। অৱশ্যে Human nature অৰ্থাৎ মানুহৰ স্বভাৱৰ গঢ় ভালকৈ বুজাসকলে, তেওঁলোকৰ এনে কাৰ্য্য দেখি হতাশও নহব, আৰু তেওঁলোকক বৰকৈ দুগৰীয়াও নকৰে; কাৰণ সকলো ডাঙৰ ধৰ্ম্মৰ এনে গতি কালক্ৰমত হৈ পৰে। শঙ্কৰদেৱৰ প্ৰচাৰিত উদাৰ অসঙ্কীৰ্ণ মহাধৰ্ম্ম মহাপুৰুষীয়া ধৰ্ম্মৰো কালক্ৰমত এনে দশা ঘটিছে। চণ্ডাল পৰ্য্যন্ত মানুহৰ গ্ৰাপ্য মহাপুৰুষীয়া ধৰ্ম্মক শঙ্কৰদেৱৰ পিছৰ ধৰ্ম্মাচাৰ্য্যসকলে অনেক বিষয়ত সঙ্কীৰ্ণ আৰু সাম্প্ৰদায়িক কৰি পেলাইছে। তেওঁলোকৰ অনেকৰ বিশ্বাস যে মহাপুৰুষীয়া নহলেই মানুহটো শুচিল, আৰু তাৰ উদ্ধাৰ নাই। গাৰো নগা মিৰি আদি জাতৰ মানুহে তেওঁলোকৰ ওচৰত ধৰ্ম্মক ধৰিবলৈ আহিলে "পবিত্ৰ" তেওঁলোকে পোন বাটেদি সেই অন্ত্যজক ধৰ্ম্ম নিদি, পাঁচনি, বৰমেধি, বৰা বা হাতীমতাৰ হতুৱাই ডালজোৱা দি সেইবোৰ মানুহক শিচ কৰাই নিজৰ শিচৰ লেখ বঢ়াই সৰহ শিচ থকা বৰ গোঁসাই হয়! শঙ্কৰদেৱ প্ৰচাৰিত ধৰ্ম্মৰে আন তিনটা ঠাল—দামোদৰীয়া, বংশীগোপলীয়া, হৰিদেৱী সম্প্ৰদায়ৰ সম্পৰ্কেও এই কথাই ভালকৈ খাটে; তেওঁলোকেও আহোমক শিচ কৰি মান-সৎকাৰ সুবিধা খাই, অথচ ছেই -ছেই কৰি, পিছত আহোমসকলে উভতি ধৰিলে, নানা বুৰোৱা-পকোৱা কথাৰে explanation অৰ্থাৎ কৈফিয়ৎ দি কোনোমতে মান ৰাখি চলিব লগীয়াত পৰা ঘটনা আমি চকুৰ আগতে কেইবাবাৰো দেখিছোঁ।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা।

১. আত্মীয়নি কৰাটো আছিল। —সং, বাঁ...

# তুমি আৰু মই।

তুমি অপাৰ অনন্ত প্ৰশান্ত সাগৰ,
মই ক্ষুদ্ৰ লহৰী তাৰ।
তুমি বিৰাট দেহেৰে ব্ৰহ্মাণ্ড আধাৰ,
মই বালি চাহী গাৰ।
তুমি অত্যুচ্চ শিখৰে গিৰি বিন্ধ্যাচল,
মই যে উইৰ হাফলু।
তুমি সাতোটা দ্বীপেৰে বিশাল ধৰণী।
মই তাতে ধূলিকণা হলোঁ।
তুমি অসীম অনন্ত নীলিম গগন,
মই ঘটাকাশ দৰে।
তুমি অনাদি নাদৰ শব্দৰ ঝঙ্কাৰ,
মই প্ৰতিধ্বনি তাৰে।
তুমি অনন্ত লীলাৰ বিশ্ব প্ৰকৃতি,
মই যে এডালি তৃণ।
তুমি নিঃস্বাৰ্থ প্ৰেমৰ অক্ষয় ভঁৰাল,
মই অতি দীন হীন।
তুমি অশেষ জীৱৰ একোটি আধাৰ,
মই তাৰে জীৱ এটি।
তুমি অনন্ত চৈতন্য অনন্ত ভাণ্ডাৰ,
মই এটি ফিৰিঙতি।

কৃষ্ণা।

---



# কলিতা ৰজা।

কলিতা ৰজাৰ কথা বোধকৰোঁ সকলো অসমীয়া মানুহে শুনিছে। কলিতা ৰজা সম্বন্ধে আমি সকতে অনেক পতিয়াব নোৱৰা আচৰিত কথা শুনিছিলোঁ; কিন্তু কলিতা ৰজা কি আৰু তেওঁৰ দেশেই বা কত তাক একো নাজানিছিলোঁ। সেই বিষয়ে শুনাকথা বা জনশ্ৰুতিৰ বাহিৰে আমাৰ একো সম্বল নাছিল আৰু এতিয়াও যে কিবা প্ৰমাণী কথা আমাৰ হাতত পৰিছে তেনে নহয়। হয়তো এইটো এটা কথাৰ কথা মাথোন হে, কলিতা বুলি কোনো দেশো নাই আৰু কলিতা ৰজাও এজন কাল্পনিক ৰজাহে। কলিতা বুলি এটা প্ৰধান জাতি আমাৰ দেশত বহুত কালৰে পৰা আছে সেইটো সঁচা কথা, কিন্তু বুৰঞ্জীয়ে ঢুকি পোৱা কাল ডোখৰৰ ভিতৰত সেই জাতিৰ মানুহে এই দেশত ৰাজত্ব কৰা কোনো প্ৰমাণ পোৱা নাযায়। কলিতা জাতিৰ মূল সম্বন্ধে অনেকে অনেক কথা কয় কিন্তু সেইবোৰ ইয়াত উল্লেখ কৰি বা আলোচনা কৰি আমি প্ৰবন্ধৰ কলেৱৰ বঢ়াবৰ ইচ্ছা নকৰোঁ। আমাৰ আজিৰ আলোচনাৰ বিষয় হৈছে কলিতা ৰজা আৰু তেওঁৰ দেশ।

আমাৰ দেশ ইংৰাজে লোৱাৰ অলপ পাছতে জন ব্ৰায়ন নিউভিলি ( John Bryan Neufvelle ) নামে এজন চাহবে "On the geography and population in Assam" বুলি এটা বিৱৰণ লেখি থৈ গৈছে; তাত কলিতা ৰজা আৰু তেওঁৰ দেশৰ বিষয়ে যি লিখি গৈছে তাৰ ওপৰত নিৰ্ভৰ কৰিয়েই আমি এই প্ৰস্তাৱৰ বিষয়ে লেখিবলৈ হাত দিছোঁ। চাহাবজনেও কলিতা ৰজাৰ বিষয়ে যি লেখিছে তাক শুনা কথাৰ ওপৰত হে লেখিছে আৰু তেওঁ সেইবোৰ কথা একেবাৰেই সঁচা বুলি নপতিয়াই, সেই বিষয়ে ভালকৈ অনুসন্ধান কৰিব লাগে তাকেহে লেখিছে; যেনে,—

"Beyond the mountainous region ( the hills between the heads of the Dihong and Dibong ) extends the grand field of enquiry and interest, if any credit be due to the opinion universally prevalent here respecting 'the nations inhabiting those tracts."

ভোট দেশৰ পূব ফালে, আৰু সদিয়াৰ উত্তৰ ফালে, পৰ্ব্বতবিলাকৰ সিফালে

এখন বৰ ডাঙৰ ভৈয়াম দেশ আছে বুলি কয় আৰু সেই দেশেই হেনো কলিতা ৰজাৰ দেশ। সেই দেশৰ মানুহবোৰ হিন্দু আৰু হেনো বৰ সভ্য আৰু উন্নত। সেই দেশৰ ৰজা হেনো বৰ ক্ষমতাশালী। আহোম ৰজাবিলাকৰ অতি উন্নতিশীল অৱস্থাতকৈয়ো সেই দেশৰ অৱস্থা, ধনে জনে, ক্ষমতাই ঐশ্বৰ্য্য বিভূতিয়ে অনেক বেছি বুলি কয়। অতিপূৰ্ব্বে এই দেশৰ লগত সেই দেশৰ যাতায়াত আছিল বুলি কয়, কিন্তু হেনো অনেক কালৰপৰা যাতায়াত বন্ধ হৈছে। এই দেশৰপৰা সেই দেশলৈ যোৱা পৰ্ব্বতৰ তলে তলে এটা স্বাভাবিক সুৰুঙা আছিল বুলি কিম্বদন্তি আছে, কিন্তু এইটো উপকথা যেন হে লাগে। এইটো কথা কিন্তু সকলোৱে কৈছিল যে ৮ পুৰুষ মানৰ আগেয়ে, (এতিয়া ১০।১১ পুৰুষ হব) বৰগোহাঞিৰ ছুজন পুতেকে ভালেমান অসমীয়া মানুহ লগত লৈ, শ্ৰীলুইত নৈৰপাৰত থকা কলিতা ৰজাৰ দেশত আশ্ৰয় লৈছিল গৈ আৰু ২০০ বছৰ মানৰ আগলৈকে তেওঁবিলাকে নিজৰ দেশৰ লগত লেখা-লেখিৰে সম্পৰ্ক ৰাখিছিল। কলিতা ৰজাই হেনো তেওঁবিলাকক বৰ আদৰেৰে ৰাখিছিল আৰু তেওঁবিলাকক মাটিবাৰী দি পাতিছিল। আমাৰ সেই মানুহবোৰে সেই দেশৰ মানুহৰ লগত বিয়াবাৰু কৰাই, সিহঁতেৰে সৈতে হেনো একে হৈ গৈছিল। কলিতা ৰজাৰ দেশৰ পূব ফালৰ দেশবোৰ হেনো লামাবিলাকৰ দেশ।

স্বৰ্গদেও ৰাজেশ্বৰ সিংহৰ দিনত দিহিং নৈত এনে এটা বানপানী আহিছিল যে সেই বানপানীয়ে আমাৰ গোটেইখন দেশ তল নিয়াইছিল আৰু গাওঁভূই সকলোবোৰ উটাই বুৰাই নিছিল। সেই বানপানীত দিহিং নৈৰ গতি গুই সলনি হল আৰু দেশৰ তৰ ঠাই দ হৈ আৰু দ ঠাই তৰ হৈ আগৰ চিনচাবুত নাইকিয়া হল। এই বানপানী ১৫ দিন আছিল আৰু তাত অনেক খেতিবাতিৰ সজুলি, গৃহস্থালীৰ মালামাল, হাতীৰ সাজ-সজুলি, আৰু আন আন বস্তু-বেহানি উটি আহিছিল। সেই বস্তুবোৰ যে এটা সভ্য আৰু উন্নত জাতিৰ বস্তু আছিল তাক সকলোৱে কৈছিল আৰু আমাৰ মানুহে সেইবোৰ কলিতাদেশৰপৰা উটি অহা বস্তু বুলি ভাবিছিল।

১৮২৫ চনত বগাদমৰা ফুকন নামেৰে এজন মানুহে লেফ্‌নেণ্ট, উইলকক্সক যি বিবৰণ দিছিল তাক তলত দিয়া হল।

"১৭৫৭ শকত আমাৰ দেশত ২ খন নৈ বৈ আছিল। আগৰ দিনত দিহং দিপাঙৰ ওচৰত থকা চেংলাই নৈৰ মুখত ২ খন কছাৰী গাঁও আছিল। এই গাঁও ছুখনত ছুখন বিল আছিল। এখনৰ নাম দিহাদাৰুৱা আৰু আনখনৰ নাম দিবৰীয়া। চেঙ্গা বা চেংলাই বুলি এখন নৈ ছবিয়া গোহাঞিৰ দেশৰপৰা বৈ আহি এই ছুখন বিলত পৰি দিহং দিপাং নাম লৈছে আৰু কলিতা ৰজাৰ দেশৰপৰা বৈ অহা দিবঙ্গ নৈত পৰিছে। দিহং নৈত অনেক শিল আছে। সেই কাৰণে চেংলাই নৈৰ মুখলৈকে তাত নাও নচলে কিন্তু দিবং নৈয়ে ৪০ দিন উজাই গৈ, চেংলাই নৈৰ মুখ পায়। তাৰপৰা কলিতাৰজাৰ দেশ ১২ দিনৰ বাটত। চেংলাই নৈত নাও নচলে। সদিয়াৰপৰা কলিতা দেশ ৪২ দিন ৬ ঘণ্টাৰ বাট। বাটত অনেক পৰ্ব্বত আৰু অটব্য হাবি আছে সেই গুণে তালৈ যোৱা বৰ ছুৰূহ। আবৰ দেশৰ পৰা ৯ দিনৰ বাটত বিবৰদেশ আৰু বিবৰদেশৰপৰা তিন দিন গৈ জিবৰ দেশ পায়গৈ। জিবৰৰপৰা ৭ দিন গলে বৰকণা * দেশ পোৱা যায়। কলিতাদেশ বৰকণা দেশৰপৰা ৩ দিনৰ বাটত। বাটত ২৪টা পৰ্ব্বত, ১১টা ডাঙৰ সোঁতা আৰু সৰু সুঁতি অনেক আছে। পৰ্ব্বতেদি যোৱা অসাধ্য, কিয়নো বৰকণাইতে বাট এৰি নিদিয়ে। কলিতাদেশত হাতীদাঁত, বুড়িসাৰ, তামৰ বাচন, ৰৰবিহ, শিঙ্গিমূৰীবিহ, গাঁঠীয়ন, পাট, গান্ধকলাই আৰু চোঁৱৰ অনেক পোৱা যায়। কলিতা দেশৰ উত্তৰ পশ্চিমে ৯ দিনৰ বাটত কিবং গোহাঞিৰ দেশ। ছবিয়া দেশ কিবঙৰ পৰা ৫ দিনৰ বাটত। দিহং দিপাং নৈ, কিবং আৰু ছবিয়া এই দুই দেশৰ মাজৰ পৰা ওলাইছে।"

ওপৰত দিয়া বগাদমৰা ফুকনৰ বিবৰণ বিশ্বাস কৰিলে কলিতাৰজাৰ দেশ এখন আছিল আৰু এতিয়াও আছে বুলি ধৰিব লাগিব। লেফ্‌টেনেণ্ট উইলকক্সে বগাদমৰা ফুকনক, অনেক পুৰণি কথা জনা এজন বিচক্ষণ লোক বুলি লেখি গৈছে। বগাদমৰা ফুকনক বিশ্বাস কৰি কলিতা ৰজা আৰু তেওঁৰ দেশৰ বিষয়ে মানি লবলৈ

* "Barkana—large-eard—The Assamese are as confident of the existence of this tribe as that of the fabulous Shri Lohit and its three branches (Brahmaputra, Dihong and Irrawady). Those who are not remarkably credulons. represent the ear as merely hanging down to the waist while others are positively informed that at nignt the left ear serves as an ample bed to sleep on while sufficient to wrap the body up in."

Liut. Wilcox.

আমাৰ একো আপত্তি নাই, কিন্তু সঁচাসচিকৈয়ে তেনে এখন ৰাজ্য থকা হলে, অতদিনে তাৰ আৰু একো শুংহত্র নোলালহঁতেন নে? অৱশ্যে এইটোও ভাবি চাবলগীয়া কথা যে যোৱা ১০০ বছৰৰ ভিতৰত এপিনে আবৰ আনপিনে চীন আৰু আনপিনে ভোট এই দেশ ডোখৰৰ সম্বন্ধে আমাৰ ভূগোলৰ বিষয়ে জ্ঞান কিমান বেছি হৈছে। কবলৈ গলে একোৱেই হোৱা নাই। এশ বছৰৰ আগেয়ে সেই ডোখৰ দেশৰ বিষয়ে যেনেকৈ আৰু একো নাজানিছিলোঁহক এতিয়াও একো নাজানো। সেইগুনে এই দেশৰ আগৰ দিনৰ মানুহবিলাকৰ সৰ্ব্বসাধাৰণ বিশ্বাসলৈ চাই কলিতাৰজ্যৰ দেশ এখন আছে বুলি পতিয়াবৰহে মন যায়, বিশেষতঃ যেতিয়া তেনে এখন দেশ নথকাৰ সম্বন্ধে কোনো বিশ্বাসযোগ্য প্ৰমাণ নাই।

শ্ৰীহেমচন্দ্ৰ গোস্বামী।

---

# বৰবৰুৱাৰ বাতৰি কাকত।

কৃপাবৰ নিগদতি, শুনা বোপা, কাণ পাতি,
কোনে কয় কাকত নচলে?
চলাব জানিলে চলে ঠেলি হেঁচি লৈ গলে,
কাকততো বজাৰূপ ফলে॥
জাননীৰ টোপাখহ কাকতৰ টিকাত বহ,
"থহবাম" লগোৰাঁ "মলম"।
"থহবাম" অৱতৰি মলমৰ কুঠাৰ ধৰি
নিথহৰা কৰিলে অসম॥
পশুৰাম শ্ৰীৰাম হলিৰাম সিঙ্কিৰাম
ৰাম অম্ভ ৰামকান্ত হই।
নৌকা বাটে গতি কৰি বক্ৰগতি হল পৰি,
থহৰা চলিব চলালেই॥



এতেকে বোপা সুদৰ্শন চক্ৰ! কাকত চলিব, তোমাৰ নিচিনাকৈ অলপ চক্ৰাকাৰে ঘূৰিলেই;—আৰু একো নালাগে। তুমি মোক এজোকা বা দোজোকা বিজ্ঞাপনৰ বৰবেঙেনা সংগ্ৰহ কৰি দিয়াঁচোন, মই একে টিলিকিতে কাকত-মাকত যি লাগে হোৰাহোৰে চলাই দিওঁ—পানীয়েও বামেও, এবং যদি দৰকাৰ পৰে—ঘৰৰ চালেও। কাকত চলিব কিয় আৰু কওঁ শ্ৰবণ কৰিবলৈ হুকুম হয়—প্ৰথম কথা, মই চলাব জানো, তোমালোকে চলাব নাজানা এই বাবে। মোৰ অনেক "ত্ৰিক" (trick) বুধি আছে, যাৰ "ত্ৰিকং" অৰ্থাৎ তিনটা ব্যয় কৰিলেই কাকত চলি টাকুৰি ঘূৰাদি-ঘূৰি থাকিব। "ত্ৰিক্" মানে তুমি "ফাকি" বুজিলা নে কি? ইস্ ৰাম ৰাম! সেইটো মুবুজিবা দেওহে। বৰং মোৰ দুৰ্ভাগ্যবশতঃ তেনেটো বুজিছা যদি উদ্গাৰ কৰি দিয়াঁ মোৰ কুটুন, মই ফাকিদাৰ বা বা টেঙবালি কৰা মানুহ নহওঁ; আৰু তাৰ উপৰি এৰেকশটা শিয়াল মৰি মই হৈ জন্ম হৈছোঁ বুলি ভাবিছা যদি, সেইটোকো নাভাবিবা, কাৰণ মোৰ পূৰ্ব্বপুৰুষ দাৰ্শনিক ডাকইনে কোৱামতে বান্দৰ হলেও শিয়াল নহয়, ধ্ৰুপ জানিবা। "ত্ৰিক" মানে বুধি, মস্তিষ্ক,—মস্তি নহয়। মই মই অসমৰ নিমিত্তে যি কাকত লেখিম তাত এনেবোৰ বিস্তৰ "ভেলিউপেবোল"—শ্ৰীবিষ্ণু!—"ভেলিউৱেবোল" অৰ্থাৎ মূল্যবান বা বহমূলীয়া Editorial অৰ্থাৎ সম্পাদকৰ চৰা ("চোৰাই মাল" নহয়,) প্ৰবন্ধ থাকিব, চিকাৰূপ বা বজাৰূপেৰে হে যাৰ মূল্য হিচাপ কৰিব পৰা যাব। (১) যেনে:—হনলুলুত স্বায়ত্বশাসন বাস্তৱাজ।(২) মেক্সিকোত ক্ৰেঞ্চাৰে সৈতে আমেৰিকাৰ যুদ্ধ। (৩)ফিলিপাইনত স্পেইনৰ অত্যাচাৰ। চতুৰ্থটো, ত্ৰিবাঙ্কুৰত খেতিবাটিৰ সুবিধা। পঞ্চম—গুজৰাটৰ প্ৰজাৰ আৰ্থিক অবস্থা। ষষ্ঠ—সিন্ধুপ্ৰদেশত স্ত্ৰীশিক্ষা। সপ্তম—চীনত যুৱান-চি-কাইৰ শাসনৰ ফলাফল।

এনেবোৰ ডাঙৰ কথা মোৰ কাগৰপৰা উলিয়াই মোৰ কাকতত ফুলাই দি তাক শুণাৰ বন-কৰা পাৰি-দিয়া কাপোৰ যেন কৰি দিলে কোন অসমীয়াই হেঁপাহেৰে সেই পাৰি-দিয়া কাপোৰ অৰ্থাৎ কাকত নলব মই চাম? আন একোনহলেও, প্ৰথমতে, মোৰ বিশ্বব্যাপী বিদ্যাৰ দীঘ-বানি দেখি ভোদা অসমীয়া তো ৰ লাগিবই, তাৰ পিছত তেতিয়াই মোক সিহঁতে মহাত্মা, মহাপুৰুষ, ডীমটোকা, বাটেটোকা, টোকাপকৰা, বৰবৰুৱা, সিদ্ধ, বৃদ্ধ, বুদ্ধ, যোগী, ভোগী, পেটৰোগী, বিদ্যাধৰ, (প্ৰিয়-দৰ্শনে লাহেকৈ—"টেধৰ") ডাঙৰো আও-ডাঙৰ, ডাঙৰীয়াৰো আও-ডাঙৰীয়া (প্ৰিয়দৰ্শনে লাহেকৈ—বৰ চৰিয়া") বৰৰো আও-বৰ (প্ৰিয়দৰ্শনে লাহেকৈ—

গোবৰ ) কিবা বোলেনে মোক বুলি মোৰ আগত আঠু লব, সভা পাতি মোৰ গুণ যহ গাব আৰু মোৰ নাম গাই এক্কাখুন্দা পিঠাগুৰি খাই মোৰ পেট কামুৰিলে মোক কাণ্দোল বা কৰ্ণদোল ( condole ) অৰ্থাৎ মোৰ প্ৰতি শোকানুভূতি বা সহানুভূতি প্ৰকাশ কৰি কান্দি-কাটি, মতাবোৰ বাউল হব আৰু তিৰুতাবোৰ বাউলী হব। আৰু ঈশ্বৰে নকৰক, যদি মই মোৰ চৰগ-দেখা ছাপাখানা ঘৰলৈ, কৰাল-ভগা আৰু কাণ-কুটা আখৰ জোটাই মোৰ কাকত ছপাবলৈ যাওঁতে, মোক বাটতে যমে লগ পাই ডিঙিটোত আলফুলৰ বিপৰীতভাৱে ধৰি তাৰ ঘৰলৈ লৈ যায়, তেতিয়া মোৰ ভকত-সকলে মোৰ শটো কাউৰী শগুণ কুকুৰ শিয়ালক নিদি, আৰু কদাপিও, বাঁহীৰ সম্পাদকে বাঁহীক বাহী হবলৈ দিয়াদি, তাক বাহী হবলৈ নিদি, তেতিয়াই কান্ধত লৈ নৈৰ পাৰত থৰি দি, ধপাত, চেলেউ, নাইবা লাওপানী খাই, গা-পা ধুই তিতা তিয়-নিবেই তেওঁলোকে ঘৰলৈ উভতি আহি তিনি দিনলৈ মোৰ "চৰিত্ৰ তুলি" শোক কৰি তেওঁলোকৰ ভোক খেদাব। আমানত কাকত চলালে এনে chance সুবিধা পাম মই বৰবৰুৱাই। এতেকে নচলোৱাটো যুক্তিবিৰুদ্ধ, সেইবাবে চলানেই চলাম, নকচি চলাম।

প্ৰিয়দৰ্শন। হংকঙৰ স্বাস্থ্যৰ কথা বা ব্ৰেজিলৰ খেতি-বাতিৰ কথা লেখিবলৈকো বিদ্যা লাগিব যে ?

ৰূপাবৰ। তুমি বালক। .সেইবোৰ লেখিবলৈ যে বিদ্যা নেলাগে সেইটোও তুমি নাজানা। বিদ্যা নালাগে, লাগে "ত্ৰিক"। পৃথিবীত ইমানবোৰ লেখকে ইমানবোৰ সম্পাদকে সেইবোৰ তেওঁলোকৰ কাকতত লেখিছে, মাথোন মই তাৰপৰা সেইবোৰ তুলি মোৰ কাকতৰ চৰাত বহুৱাই দিলেই হল, কাৰ আপু-টিয়েকৰ সাধ্য যে মোক ধৰে ? ৰাজবাটত ভোবোলা ছাগলী এটা লৰি গলেও আনাৰ অসমীয়াই খেদি গৈ ধৰিব নোৱাৰে, সেইখনে আকৌ মোক ধৰিব ! তোমাৰ বুদ্ধি ! ধৰাটো তো দূৰৰ কথা, সেইবোৰ আপুৰুগীয়া প্ৰবন্ধ মোৰে কাপৰ আগৰপৰা ওলাইছে বুলি ভাবি গোটেইখন স্তব্ধ হব। আৰু এটা কথা প্ৰিয়শৰ্ম্মা,— হাতত কাকত এখন থাকিলে বৰ সুবিধা। দিনৌ নিজৰ জয়-ঢোল স্বনামী বেনামী কৰি বৰকৈ বজাই থাকিব পাৰি। সাত শত্ৰুৰ কাণ ঘোলা কৰিব পাৰি, মিত্ৰৰ কাণৰ কণামাকৰি সৰাব পাৰি, কাকতৰূপী বিভল্ভৰ হাতত নথকাক ঞাইচেৰেক গুলিয়াই চিটুভোলোঙা খুৱাই পেলাব পাৰি, আৰু তাৰ উপৰিও কাকো গালি পাৰিবৰ মন গল, বা কুকুৰ বান্দৰ বুলিবৰ মন গল, তেতিয়াই নিজেই গালিৰ প্ৰবন্ধমালা গুথি তাক "প্ৰাপ্ত" বুলি মোৰ কাকতত ছাপি কাকতৰ শ্ৰী বঢ়াই দিব পাৰি। তদুপৰি, গাৱঁৰ বৰ-সবাহত যদি কোনেও মোক বহিবলৈ বৰ-থগা নিদি তাৰ সলনি গলধনত হাত দি খেদি দিলে, তেতিয়াই খং কৰি ঘৰলৈ আহি মোৰ কাকতত বেনামী কৰি আন চিঠি লেখোঁতা হৈ, মোৰ সেই চোৰ-তাস্কৰগঞ্জনৰ হতুৱাই স্বয়ং মোকে স্বৰ্গত তোলাই দি, মোৰ গুণ চতুৰ্গুণ আৰু লোকৰ দুগুৰ্ণ দহগুণ উলিয়াই দিব পাৰি। গগৰ্ণমেণ্টে যদি কোনো কাৰণত মোক বৰটো নকৰে, তেতিয়াই মই যে বৰ এই কথা মোৰ বান্ধ জগৰা, ফেহুৰা, মোলোকা, চতাই প্ৰভৃতি মাতঃবৰ ব্যক্তিসকলৰ হতুৱাই লেখাই, বা এই ভূমণ্ডলত অনুপস্থিত তেওঁলোকৰ নামত লেখাই, গৰ্ণৰ্নমেণ্টৰ মুখিয়াল মণ্ডলসকলৰ বাক্‌ৰোধ কৰি তেওঁলোকক অবাক কৰি দিব পাৰি, অন্ততঃ তেওঁলোকে কি অন্যায় কামটো কৰিলে, সেইটো তেওঁলোকে বুজক নুবুজক, আন ভোদা ভেবাক বুজাই দিব পাৰি,—তেহেলে গগৰ্ণমেণ্টৰ মণ্ডলীসকলে তালৈ কাণকেঁৰৰ.ক বা আওকাণকে কৰক।



প্ৰিয়দৰ্শন। বৰবৰুৱা ডাঙৰীয়া, আপোনাৰ জাত কি ?

ৰূপাবৰ। অ তুমি দেখোন গুৰিতে ধৰিলা ? তুমি আজি ইয়ালৈ অহাৰ আগেয়ে ভাং খাইছিলা নে ?

প্ৰিয়দৰ্শন। জাতেৰে সৈতে ডাঙৰ সম্পৰ্ক কি ?

ৰূপাবৰ। মোৰ কাকতেৰে সৈতে মোৰ জাতৰ সম্পৰ্ক কি, সেইটো আগেয়ে তুমি কোৱাঁ ? যত irrelavent কথা তুমি কৰা, অথচ উভঁহা ধৰা মোৰ তেনে উত্তৰত ? জাতেৰে সৈতে ভাঙৰ সম্পৰ্ক যে আছে, সেইটো বয়স হলে তুমি বুজিবা। মোৰ জাতটো কি আজিলৈকে যদি তোমাৰ বোধগম্য নহল, তেন্তে আকৌ তোমাৰ বোধৰ নিমিত্তে কওঁ যে মোৰ জাত ব্ৰাহ্মণ।

প্ৰিয়দৰ্শন। আপোনাক দেখোন আমি মৰাণৰ ঘৰৰহে বুলি শুনিছিলোঁ ?

ৰূপাবৰ। শুনা কথা বিশ্বাসৰ যোগ্য নহয়,—অৱশ্যে মোৰ মুখৰপৰা শুনাতকৈৰ বাহিৰে। আৰু এটা কথা,—মৰাণো বৃত্তিমূলক জাতি, আৰু বামুণো বৃত্তিমূলক জাতি। সেইদেখি ইউক্লিডৰ জ্যামিতিৰ স্বতঃসিদ্ধমতে মৰাণ বামুণ হব পাৰে, বামুণো মৰাণ হব পাৰে,—অন্ততঃ মৰি।

প্ৰিয়দৰ্শন। আপুনি নো মৰিল কেতিয়া যে ব্ৰামুণ হবৰ অধিকাৰ পালে ?

কৃপাবৰ। আকৌ তোমাক বালক বুলি নোৱাৰিলোঁ। বামুণৰ লৰাই একেটা জীৱনতে দুবাৰ জন্ম ধৰে, তুমি জানা। "সংস্কাৰাৎ দ্বিজউচ্যতে," দ্বিজ অৰ্থাৎ দ্বিতীয়বাৰ জন্ম হয় দেখি। মোৰো সেইদৰে আগৰসোপা গৈ মই ডাঙৰ বা ডাঙৰীয়া হৈ দ্বিতীয় জনম লভি দ্বিজ হলোঁ।

প্ৰিয়দৰ্শন। আপোনাৰ জাত বুৰঞ্জীমূলক হল কেনেকৈ?

কৃপাবৰ। কিয়, বুৰঞ্জীত যাৰ পূৰ্ব্বপুৰুষসকল ৰজা হোৱা ডাঙৰ হোৱা কথা আছে, সেইসকলেই বুৰঞ্জীমূলক জাতি। সেইদেখি মান মৰাণ বুৰঞ্জীমূলক। বাঘ মৰাণ আৰু তেওঁৰ লগৰীয়াসকলৰ কীৰ্ত্তি বুৰঞ্জীত আছে।

প্ৰিয়দৰ্শন। আসামত চুটিয়া, কোচ, কচাৰী, আহোম, কায়স্থ, ক্ষত্ৰিয়, বৰাহী, নালুং,৩ মিকিৰ, নগা, দফলা, খাটোয়া, অঁকা, গাৰো, ভোট, সকলোবোৰে একো-একোবাৰ ৰাজত্ব কৰি গৈছিল, আৰু কোনোকোনোৰে চুকে-কোণে এতিয়াও কৰি আছে; সেইসকলৰ কথাও বুৰঞ্জীত আছে, এতেকে দেখোন সেইসকলো বুৰঞ্জীমূলক জাতি?

কৃপবৰ। "চুপ ৰও"! সেইবোৰ নহয়। মৰাণ আৰু বামুণ হে বুৰঞ্জীমূলক, অৰ্থাৎ মোৰ ঘৰপৰা উত্তৰ হৈ যেনিয়েদি পুণ্যতোয়া মই বৈ গৈ যত পৰিছোঁ, গুৰি মায় আৰু অন্তলৈকে সেই সকলোবোৰ ভূঁই, তাৰ পাৰৰ নল, খাগৰী, এৰা, কচু, ঢেকীয়ালৈকে সকলো দ্বিজ হৈ বামুণ হৈছে,—অন্ততঃ মোৰ প্ৰভাৱত। তুমি বুৰঞ্জী নাজানা; তোমাৰে সৈতে এইবোৰ কথা কোৱা অনুচিত। [illegible] আৰু নকওঁ। মুঠতে এইটো বুজি পৰা যে মই ব্ৰাহ্মণ আৰু বুৰঞ্জীমূলক।

প্ৰিয়দৰ্শন। বুৰঞ্জীমূলক কথাটো মই ভালকৈ বুজা নাই।

কৃপাবৰ। দুবুজিবা তো। কাৰণ যি বুৰঞ্জীমূলক হয়, তাৰ মূলাটো বুৰঞ্জীৰ ভুভুৰীয়া মাটিৰ তলত থাকি বাঢ়ি থাকে, লোকে ওপৰে ওপৰে তাৰ ছুটা-চাইটা পাত হে দেখিবলৈ পায়, তলৰ সেই ভব্য-গব্য মূলাৰ গমকে নাপায়। কবিতাৰ চোক আৰু মোল বুজাসকলে সেই ছুটা-চাইটা পাত দেখিয়েই তলৰ মূলাৰ মোলৰ গম ধৰি ভাবত ভোৰ হয়। ধন্য তেনে মানুহ! কাৰণ তেনে মানুহৰ জন্ম সাৰ্থক। অন্তত আকৌ কওঁ যে, তুমি এই কেইটা কথা ভালকৈ বুজি পৰা, যে ৰবৰকৰা ব্ৰাহ্মণ, ৰবৰকৰা বুৰঞ্জীমূলক, ৰবৰকৰাই বাতৰি কাকত উলিয়াব, আৰু ৰবৰকৰাৰ কাকত চলিব, কাৰণ তেওঁ চলাব। এতিয়া তুমি উঠা, মই গলোঁ,—চকু মুদো গৈ,—অলপ চিন্-

২।
৩।} [illegible] । —সং, বাঁ।



মিলকৈ টোপনিটো আহে যদি আহক। মোৰ কাকতৰ সম্পৰ্কে আৰু অনেক কবলৈ থাকিল, সেইবোৰ আৰু এদিন কম।

---

# ম্যাদাম ক্যুৰে (Madame Curie)।

অইন ধৰ্ম্মত আছেনে নাই কব নোৱাৰোঁ, হিন্দুধৰ্ম্মত এটি কথা আছে, তিৰোতা স্বামীৰ সহধৰ্ম্মিণী। পৃথিবীৰ বুৰঞ্জী মেলিলেই তাৰ বহুতো উদাহৰণ দেখিবলৈ পোৱা যায়। মহম্মদৰ ঘৈণীয়েক খাদিজা তেখেতৰ প্ৰথম শিষ্যা, উপদেশ দাতা, উৎসাহ দাতা। মহম্মদে খাদিজাক সকলো তিৰোতাৰ ওপৰত ওখ আসন দিছিল। গদাধৰ সিংহও জয়মতীৰ তেজত উত্তেজিত। জয়মতীয়ে নিজৰ প্ৰাণ স্বামীৰ হকে বলিদান দিলে। ব্ৰাউণিংৰ কবিতাই ইংৰাজি সাহিত্যত ওখ আসন লাভ কৰিছে। ব্ৰাউনিং আৰু ইংৰাজি সাহিত্য লেডি ব্ৰাউনিঙৰ ওচৰত সম্পূৰ্ণ ধৰুৱা।

প্ৰকৃত ঘৈণী যে অকল স্বামীৰ সহকাৰিণী এনে নহয়, তেওঁৰ গোটেই জাতি-টোৰ। তেওঁৰ কল্পনা সকলো ধৰ্ম্ম, সকলো সাহিত্যৰে পূজনীয়। ঘৈণীৰ পক্ষে সহকাৰিতাই বিশেষ। সেই বুলি আমি বিবাহিতা তিৰোতাৰ পক্ষ সমৰ্থন কৰি আনবোৰ সহযোগিনী—মাক, ভনীয়েক, জীয়েক আৰু বন্ধুতকৈ তেওঁলোকক ওখ আসনত বহুৱাব নোখোজোঁ। প্ৰত্যেকেই প্ৰত্যেকৰ অৱস্থাৰপৰা সম্পূৰ্ণ আৰু স্ত্ৰী পুৰুষৰ সম্বন্ধ নিখুঁত ৰাখি প্ৰকাশ পাবলৈ প্ৰত্যেকজনাৰে আৱশ্যক। আমাৰ এটি প্ৰবাদ আছে, তিৰোতা এটি দুৰ্ব্বল জাতি। গতিকে তেওঁলোক ধৰ্ম্মক্ষম হব নোৱাৰে, এই ভাবটি আমাৰ মনত দৃঢ়ৰূপে বদ্ধমূল। আমি তিৰোতাক অসূৰ্য্যম্পশ্যা, কৰিব খোজোঁ, অলপতে সন্দেহৰ চকুৰে চাওঁ, তেওঁলোকক ভাল শিক্ষা দিবলৈ অনিচ্ছুক—ভাবোঁ সজাত বান্ধি থোৱা চৰাই মুকলি হলে উৰি লৰ মাৰিব পাৰে। আমি অকণো নাভাবোঁ যে উপযুক্ত ক্ষেত্ৰ নহলে একোৱেই প্ৰকাশ পাব নোৱাৰে।

ম্যাদাম ক্যুৰে পলণ্ডবাসী (Polish)। তেওঁৰ পিতাক লদস্কি (M. sklodewski) ওৱাৰ্চৰ কোনোবা এখন স্কুলৰ প্ৰাকৃতিক বিজ্ঞানৰ (physics)

অধ্যাপক। তেওঁৰ জন্ম১৮৬৭খ্ৰীষ্টাব্দত। ছোৱালী কালটো তেওঁ বাপেকৰ কৰ্ম্মাগাৰতে (Laboratory) অতিবাহিত কৰে। যি মুলা বাঢ়িব তাৰ দুপাততে চিন। সকৰেপৰা বাপেকৰ লগতে থাকি তেওঁৰ গোটেই মন জ্ঞানাৰ্জ্জন আৰু তথ্যান্বেষণতে কেন্দ্ৰীভূত হৈছিল। কোনোবাই যদি লদস্কিৰ কৰ্ম্মাগাৰ চাবলৈ যায়, দেখে এজনী অকণিমান ছোৱালীয়ে অধ্যাপকৰ কিতাপবিলাকৰ ধূলি জোকাৰিছে নাইবা যন্ত্ৰবিলাক সজাব লাগিছে নাইবা অধ্যাপকৰ ওচৰত থিয় হৈ একাগ্ৰ মনেৰে তেওঁ কেনেকৈ তথ্যান্বেষণত নিয়োজিত তাকে চাব লাগিছে, নহলে তেওঁক কো না কামত আগ্ৰহেৰে সহায়কে কৰিছে। প্ৰবল মনৰ প্ৰখৰতাৰ গুৰি বৰ চৈতন্ত-বিশিষ্ট। আৰু ইয়াৰ অধিকাৰী যিহৰ মাজেদিয়েই যাওক, কি বিজ্ঞান, কি কবিতা, কি জীৱনৰ দুৰুহ কামবিলাক, ই সদায় জাগ্ৰত আৰু সদায় এই মধ্যস্থতাৰ (medium) উত্তম অংশবিলাকত বলেৰে প্ৰতিঘাত কৰে। লাহে লাহে তেওঁৰ মনৰ গতি বিজ্ঞানৰ প্ৰেমত শোষিত হৈ গল। তেওঁ বাপেকৰ ছাত্ৰীও আৰু জীয়েকো—অতি মৰমৰ জী আৰু নিজৰ মনোমত গঢ়িপিটি তোলা ছাত্ৰী। যেতিয়া উপযুক্ত বয়সত কলেজলৈ তেওঁ গল, তেওঁৰ সহপাঠীসকলে তেওঁক female professor নাম দিহে মাতিছিল। অৱশেষত পেৰিচলৈ আহি তাত তেওঁ অতি দীন আৰু উৎসুক ভাৱে থাকি Licentiate of Physical and Mathematical Siecnces উপাধি ললে।

এই গাভৰুৰ উৎসাহ, কৰ্ম্মনিপুণতা, পৰিশ্ৰমশীলতা, সত্যান্বেষিতাই পেৰিচৰ অধ্যাপকমণ্ডলীৰ মন বৰ আকৃষ্ট কৰিছিল। তেওঁলোকে তেতিয়াই জানিছিল এই তিৰোতাৰ ভবিষ্যৎ কেনে মনোময়। Licenciate Degree পোৱাৰ অলপ পাছতে পেৰিচৰ প্ৰাকৃতিক আৰু ৰসায়নিক স্কুল এখনৰ অধ্যাপক মচিয়ৰ ক্যুৰেৰ (Monsier Curie) লগত এওঁৰ শুভ পৰিণয় হয়। এই পৰিণয়ত দুটি সত্যান্বেষী আত্মাৰ প্ৰেমৰ মিলন ; যি দুটি আত্মাৰ মিলনত গোটেই পৃথিবীৰ বিজ্ঞান-ৰাজ্যত এটি চিৰস্মৰণীয় ফলৰ (fruit) উৎপাদন হয়।

স্বামী, ঘৈণী দুয়োৰো জীৱনৰ গতি এক;—দুয়ো সত্যৰ তত্বান্বেষণতে নিয়োজিত। দুয়ো বৈজ্ঞানিকেই কাৰ্য্যৰ সুক্ষ্মতা তন্ন তন্ন কৰি বিচাৰি ইটিৰ অভাৱ হলে সিটিক আৰু সিটিৰ অভাৱ হলে ইটিক জোগায়। এনেকৈ দুয়োৰো পৰিশ্ৰম দুয়ো ভোগ কৰি থাকোঁতেই Professor Bacquerel এ এটি অপৰূপ চৈতন্তবিশিষ্ট



Uranium-অৰ আলো আৰু এই আলো বিকিৰণৰ বিষয়ে তথ্য আবিষ্কাৰ কৰে। বুদ্ধিমতী ক্যুৰিয়ে ইউৰেনিয়মৰ এই আলো বিকিৰণ কাৰ্য্যৰপৰা অনুমান কৰিলে যে ইউৰেনিয়মৰ বাহিৰেও এনে এটি পদাৰ্থ আছে যাৰ আলো বৈকিৰণিক শক্তি আৰু প্ৰবল। এই পদাৰ্থটি বিচাৰি উলিয়াই বৈজ্ঞানিক যুগলৰ কাম। ম্যাদাম গভীৰ গবেষণাত নিয়োজিত হল। এদিন কথাৰ প্ৰসঙ্গত তেওঁ কৈছিল, মই ডাঠকৈ কব পাৰোঁ, ইউৰেনিয়মত বাজেও এটি অতি প্ৰবল আলো বৈকিৰণিক পদাৰ্থ আছে; মই আৰু মোৰ স্বামী দুয়ো যথাৰ্থমতে এই লুক্কায়িত পদাৰ্থটিৰ অনুসন্ধান কৰিব লাগিছোঁ। দুয়ো তেওঁলোকৰ কৰ্ম্মাগাৰত অত্যাশ্চৰ্য্য সহিষ্ণুতা আৰু অধ্যৱসায়েৰে বহু বছৰ এই আকাশ-কুসুমৰ পাছে পাছে ফুৰিবলৈ ধৰিলে। কৰ্ম্মাগাৰৰ প্ৰতি বায়ু কণিকায়েই যেন তেওঁলোকৰ কাৰ্য্যৰ পৰিচয় দিবলৈ ধৰিলে। ম্লান বৈজ্ঞানিক নম্ৰতাৰে মচিয়ৰ ক্যুৰে সহধৰ্ম্মিণীৰ কাষতে থাকি তেওঁক সহায় কৰি তেওঁৰ উৎসাহ দুগুণে বঢ়াই দিয়াত সেই শক্তিৰ আধাৰ বিচাৰি বিচাৰি প্ৰতি খনিজ পদাৰ্থৰে বিশেষ গবেষণা আৰু পৰীক্ষা কৰি কৰি তেওঁ চাবলৈ ধৰিলে।

সকলো কাৰ্য্যৰে সীমা আছে ; জলন্ত ফিৰিঙ্গটি এটা তুঁহেৰে ঢাকি ৰখা অসম্ভৱ। অৱশেষত এই নৱপ্ৰাণিত বৈজ্ঞানিক যুগলে Pitchblendeৰপৰা এবিধ ৰসায়ণিক লোণ (salt) নিৰ্য্যাস কৰি, অক্ষয় প্ৰবল শক্তিৰ পুড়ৰ গুৰিটো অক্লেশে বিচাৰি পালে। সেই কৃতকাৰ্য্য হোৱাৰ দিনাখন তেওঁলোকৰ কি আনন্দ! এই লোণত ইউৰেণিয়মৰ আলো বৈকিৰণিক গুণ সম্পূৰ্ণৰূপে বৰ্ত্তমান। এই পুংটিৰ আলো বৈকিৰণিক শক্তি দুই নিযুত গুণে বৰ্দ্ধিত! আবিষ্কাৰক যুগলে এই ধাতবীয় পদাৰ্থটিৰ নাম ৰেডিয়ম (Radium) ৰাখিলে। ৰেডিয়মে তাৰ কোনো গুণ বা পৰিমাণৰ পৰিবৰ্ত্তন নকৰোৱাকৈয়ে বিদ্যুৎ বিকিৰণ কৰিব পাৰে। ইয়াৰ ওচৰত যিহেই থাকক সি ইয়াৰ সকলো গুণ প্ৰাপ্ত হয়। ম্যাদামে কৈছে, অইন কি ঘৰৰ প্ৰতি কণা, কৰ্ম্মকৰ্ত্তাৰ প্ৰতি অঙ্গয়েই আলো বৈকিৰণিক শক্তি প্ৰাপ্ত হয়।

ইমান দিন তেওঁলোকে সমাজলৈ পিঠি দিছিল। বিজ্ঞানলৈ প্ৰগাঢ় ভক্তি আৰু বিশ্বাসে তেওঁলোকৰ ধ্যান-জগৎ পোহৰাই আছিল। প্ৰত্যেকটিয়েই প্ৰত্যেকটিক সহায় কৰিছিল। এটি বাদে আনটিয়ে এই নিগূঢ় মূলৰ তত্ব পোৱা অসম্ভৱ হলহেঁতেন। কোনটিয়ে ইয়াৰ প্ৰথমে আঁতিগুৰি পালে কোৱা বৰ টান। ইয়াৰ আবিষ্কাৰৰ গোটেইখিনি যশ স্বামীয়ে দিয়ে ঘৈণীক আৰু ঘৈণীয়ে দিয়ে স্বামীক।

তেওঁৰ স্বামীয়ে মুক্তকণ্ঠে প্ৰথমেই কৈছিল, এই নিগূঢ় মূলৰ ( mysterious element ) প্ৰকৃত আবিষ্কাৰক ম্যাদাম ক্যুৰে। তেওঁ তেওঁৰ সহধৰ্ম্মিণীৰ সমভিব্যাহাৰিতা, অতুলনীয় সহকাৰিতাৰ বিষয়ে নৈথ প্ৰশংসা কৰিছে। অইন কি তেওঁক এটা বৰ ডাঙৰ বিষয় দিয়াতো, তেওঁৰ ঘৈণীয়েকে তেওঁৰ তাত সহযোগিনী হব নোৱাৰিব এই বুলিয়েই তাক পৰিত্যাগ কৰে। ম্যাদাম ক্যুৰেই অতি সূক্ষ্ম পৰ্য্যবেক্ষণতাৰে তেওঁ পৰীক্ষা কৰা এবিধ খনিজ পদাৰ্থত radio activity আছে বুলি কৈছিল আৰু মচিয়ৰ ক্যুৰেই বিশেষ পৰীক্ষা কৰি কৰি ডিঠকতে দেখাদি তেওঁলোকৰ কাৰ্য্যৰ ফলৰ বিষয়ে জ্ঞাত হৈছিল। তেওঁলোকৰ কৰ্ম্মাগাৰৰ দুৱাৰ সদায় মুকলি; স্বামী সহধৰ্ম্মিণী সদায় ব্যস্ত। অৱশেষত এদিন সেই বাঞ্ছিত ফলৰ উত্তৰ পালেগৈ। ৰেডিয়মে বৰ্ত্তমান যুগৰ সকলো আবিষ্কাৰৰ উচ্চতম স্থান অধিকাৰ কৰিছে; আৰু ই স্বামী আৰু সহধৰ্ম্মিণীৰ অত্যাচাৰ্য্য মানসিক গুণ আৰু পৰস্পৰৰ সহায়তাৰ ফল।

ম্যাদাম সদায় ছাত্ৰী আৰু সদায় চিন্তাশীলা। যোৱা ১৯০৩ খৃঃ স্বামী, ঘৈণী দুয়ো জগদ্বিখ্যাত ৮০০০ পাউণ্ড বা প্ৰায় একলাখ বিশ হাজাৰ টকাৰ নব'ল প্ৰাইজ পায়। প্ৰফেচাৰ বেক্যেৰেলেও এই ধনৰ অলপ ভাগ পাইছিল। চৰ্কাৰে ম্যাদামক Sevresৰ অধ্যাপক নিয়োগ কৰিলে। তথাপি তেওঁ সদায় স্বামীৰ কৰ্ম্মাগাৰত তেওঁৰ সদায় সহযোগিনী। বিজ্ঞানলৈ সমান ভক্তি, সমান আনুগত্য থকা দুটি আত্মাৰ কেনে প্ৰেমৰ মিলন! স্বামী আৰু ঘৈণীৰ পৰস্পৰৰ সহযোগিতাত জগতৰ এটি আকাশ-কুসুম সত্যত পৰিণত হল।

শ্ৰীগিৰীশচন্দ্ৰ বৰুৱা।

---

## গদ্য কবিতা।*

### এটা মূৰ্খ মানুহ

এসময়ত এটা মূৰ্খ মানুহ আছিল। বহুত দিন সি খাইবৈ সুখ-শান্তিৰে কাল কটাইছিল। কিন্তু লাহে লাহে সি শুনিবলৈ পালে যে তাৰ ওচৰচুবুৰীয়াবিলাকে তাক মাঁথো এটা সামান্য নিৰ্ব্বোধ বুলি হে ভাবে। সি মনে মনে বৰ লাজ [illegible] বেজাৰ পাই কি কৰিলে নো তাৰ এই বদনামটো যাব তাকে ভাবিবলৈ ধৰিলে।

হঠাতে এদিন তাৰ মনত এটা বুধি খেলালে আৰু ততালিকে সি তেনেদৰে [illegible] কৰিবলে ঠিক কৰিলে।

বাটত যাওঁতে তাৰ এজন বন্ধুৰ লগত দেখা হল। আৰু কথাৰ প্ৰসঙ্গতে [illegible] এজন বিখ্যাত চিত্ৰকৰক খুব প্ৰসংশা কৰিবলৈ আৰম্ভ কৰিলে।

মূৰ্খটোৱে তেতিয়া মাত লগালে, "কি কোৱাঁহে......তুমি তেওঁক এতিয়াও প্ৰশংসা কৰিছা নে?......তেওঁৰ পট আজিকালি কোনেও ভাল নাপায়। এইটো সকলোৱে জানে। এ ৰাম! এই কথাটো তুমি এতিয়াও নাজানানে?......মই কেতিয়াও এইটো তোমাৰপৰা আশা কৰা নাছিলোঁ। যোৱাঁ, তুমি সকলোতকৈ পিছপৰা।" বন্ধুজনে তেতিয়া ভয়ত লৰালৰিকৈ সেই মূৰ্খৰ লগতেই মত দিলে।

আন এজন বন্ধুৱে তাক কৈছিলে, "কালি যে এনে এটা সুন্দৰ কিতাপ পঢ়িছিলোঁ, কি কম! এনে কিতাপ মই খুব কমেই হে পঢ়িছোঁ।"

নিৰ্ব্বোধটোৱে তেতিয়া মাত লগালে, "আচৰিত কথা, অপুনি অলপো [illegible] নোহোৱাকৈ এই কথাটো কব পাৰিলে! সেই কিতাপটো একেবাৰেই যে [illegible] তাত কিছুমান অসাৰ কথাৰ বাহিৰে আন একো নাই তাক জগতত সকলোৱে জানে; মাথোন আপোনাৰ বাহিৰেহে। কিতাপটো পঢ়া দূৰৈত থাওক তাৰ নামকে কোনেও নলয়। সঁচাকৈয়ে আপুনি এই কথাটো নাজানে নে? চাওকচোন আপুনি এতিয়াও সকলোৱে কিমান পিছপৰা!" এই মানুহজনেও ভয়তে তাৰ মতত মত দিলে।

আৰু আন এজন বন্ধুৱে তাক এদিন কৈছিল, "অমুক মানুহজন বৰ [illegible] মানুহ। সকলো সদগুণেই তেওঁৰ গাত আছে। মই এনে এজন সাধু পুৰুষ [illegible] দেখা নাই।"

মূৰ্খটোৱে মাত লগালে "থাওক অ'পুনি এইবিলাক কি কথা কৈছে? সি যে এটা নামজ্বলা দুষ্ট আৰু সি যে তাৰ বংশ পৰিয়াল সকলোকে ঠগিলে তাক [illegible] সংসাৰৰ সকলোৱে জানে। নিশ্চয় এই বৰ্ত্তমান যুগৰ লগত আপোনাৰ কোনো সম্বন্ধ নাই।"

এই তৃতীয় বন্ধুজনেও ভয়তে তাৰ মতত মত দিলে আৰু আগৰ বন্ধুজনৰ [illegible]

* Tourgenevৰ হ'ৰ পৰা লৈ লিখা।

এৰি দিলে। এই দৰে যদি কোনোবাই কোনো মানুহক বা কোনো বিষয়ে নিৰ্ব্বোধটোৰ আগত প্ৰশংসা কৰে, ততালিকে সি খুব সাহেৰে এই দৰেই তাৰ উত্তৰ দিয়ে।

কেতিয়াবা সি তাচ্ছল্যভাৱেৰে ব্যক্তিগত মতৰ বিৰুদ্ধে ঠাট্টা কৰি কয় যে এতিয়াও মানুহে তাত বিশ্বাস কৰে!

তাৰ বন্ধুবান্ধৱবিলাকে তাৰ বিৰুদ্ধে কবলৈ ধৰিলে, "মানুহটো বিশ্বনিন্দুক আৰু চকুচৰহা।......কিন্তু কথাৰ ধাৰ কেনে বুজে...... !"

"কেনে কথা কব জানে!" বুলি অইনবিলাকেও তাতে যোগ দিয়ে আৰু কয়, "সঁচাকৈয়ে মানুহটোৰ কি বুদ্ধি!"

শেহত এদিন এখন বাতৰি-কাকতৰ সম্পাদক এজনে আহি—তাক তেওঁৰ বাতৰি-কাকতৰ সমালোচক হবলৈ ধৰিলে। আৰু সি তাৰ নিজৰ চিৰকলীয়া ধৰণেৰেই সকলো মানুহকে বা সকলো বিষয়ৰেই সমালোচনা কৰি যাবলৈ তাক কলে।

যি এসময়ত ব্যক্তিগত মতৰ বিষয়ে ঠাট্টা কৰিছিল সি নিজেই এতিয়া সকলো বিষয়তে তাৰ নিজৰ মত নিঃসঙ্কোচে দিয়ে; আৰু ডেকাবিলাকে তাক বৰ ভয় আৰু ভক্তি কৰে।

বেচেৰা ডেকাবিলাকে ইয়াকে নকৰি আৰু নো কি কৰিব? যদিও কাকো ভয় বা ভক্তি নকৰাই তেওঁবিলাকৰ সাধাৰণ নিয়ম ... ... ... ... কিন্তু ইয়াত সেই নিয়ম নচলে, কাৰণ তেতিয়া হলে তেওঁবিলাক "মান্ধাতাৰ আমোলৰ" হৈ সকলোৰে পিছপৰা হব।

তীৰুৰ দলত মূৰ্খ মানুহৰ বেচ প্ৰতিপত্তি হয়।

---

## বাতৰিকাকতৰ সংবাদদাতা।

দুজন বন্ধুৱে একেলগে বহি চাহ খাইছিল। হঠাৎ তেওঁবিলাকে বাটত এটা ডাঙৰ গণ্ডগোল হোৱা শুনিবলৈ পালে, ... ... ... ... কোনোবাই যেন কৰবাক ধৰি খুব গালি পাৰিছে আৰু মাৰিছে।

এজন বন্ধুৱে খিলিকি দুৱাৰেদি মুখ উলিয়াই চাই কলে "সিঁহতে কাৰবাক মাৰিছে।"



আন এজনে মাত লগালে,"কাক মাৰিছে? সি নিশ্চয় এটা খুনী বা পলাই অহা দোষী মানুহ। যাওঁহক বলাঁ আমি তাক সহায় কৰোঁগৈ। এনে অন্যায় কাম আমি আমাৰ চকুৰ আগতে হবলৈ দিব নোৱাৰোঁ।" আন জনে মাত লগালে "নহয়, সিঁহতে কোনো খুনীক মৰা নাই।"

"খুনী নহয়? তেন্তে সি নিশ্চয় চোৰ। বলাঁ, একো কথা নাই, তাক আমি মানুহবোৰৰ হাতৰপৰা সকৰাই আনোগৈ।"

"সি চোৰো নহয়।"

"কি সি চোৰো নহয়? তেন্তে সি নিশ্চয় টকাৰ গোলমালত পৰি ভয় খাই অহা বা পলাই অহা খাজাঞ্চী বা ৰেলৰ কৰ্ম্মচাৰী, নতুবা কোনো সমাজসংস্কাৰক বা পুৰণি ধৰণৰ বাতৰি-কাকতৰ সম্পাদক। ............ যি হকে হওক, বলাঁ আমি তেওঁক সহায় কৰোগৈ।"

"নহয়, তেওঁ এইবিলাক একো নহয়, মাথোন তেওঁ এজন বাতৰি-কাকতৰ সংবাদদাতা।"

"অ এজন সংবাদদাতা। ৰবা, কথাটো কি মই তোমাক পিছত কম। আঁহা আমি আগেয়ে চাহটোপা খাই লওঁ।"

শ্ৰীযতীন্দ্ৰনাথ দুৱৰা।

---

# দিল্লীত দিনদিয়েক।

(৩)

অতি পুৰণি কালত আৰ্য্যবিলাকে তেওঁলোকৰ ঘাই দেৱতা ইন্দ্ৰৰ নাম অনুসৰি পতা ইন্দ্ৰপ্ৰস্থই দিল্লী। দিল্লী যমুনা নৈৰ পশ্চিম পাৰে অৱস্থিত। অতীজৰ এই ইন্দ্ৰপ্ৰস্থই ধৰ্ম্মযুধিষ্ঠিৰৰ ৰাজধানী। ইয়াতেই ৰাজসূয় যজ্ঞ উপলক্ষে অঙ্গ, বঙ্গ, কলিঙ্গ, মগধ আদিৰ ৰজাসকল গোটখাইছিল। এই ইন্দ্ৰপ্ৰস্থতেই পাণ্ডৱৰ অশ্বমেধ যজ্ঞ সমাপতি হৈছিল। ইন্দ্ৰপ্ৰস্থ নগৰত মহাভাৰতৰ কত সান খোৱা কথা অদৃশ্য হৈ আছে। এতিয়া সেই ইন্দ্ৰপ্ৰস্থ ধ্বংসাৱশেষ, মহাশ্মশান।

চোহান কুলতিলক পৃথ্বিৰাজৰ অতীতৰ সুখ সমৃদ্ধিৰ কীৰ্ত্তি এতিয়াও জীৰ্ণ, হীন অৱস্থাত দণ্ডায়মান। দিল্লী সিংহাসনৰ যোগ্য ঠাই যুগপৰিৱৰ্ত্তনৰ তুলাদণ্ড; বুৰঞ্জী কাহিনীৰ জলন্ত দৃশ্য। প্ৰবল প্ৰতাপী মচলমানবিলাকৰ দিল্লী এতিয়া নিৰ্জ্জন সমাধিক্ষেত্ৰ।

যুগ-যুগান্তৰৰপৰা দিল্লী ৰাজধানীৰ শোভাৰে বিভূষিত। মাজত মাথোন কলিকতাই সেই গৌৰৱৰ সুগন্ধ বিলাইছিল। দিল্লীত কত ৰজাই ন ন-কৈ কত ৰাজধানী পাতিছিল, কত দুৰ্গ সাজিছিল, এতিয়া কালৰ গৰ্ভত সকলো বিলীন। চাহজাহানৰ ৰাজধানীৰ বাজে আনবিলাকৰ স্মৃতি চিনো প্ৰায় লুপ্ত।

এই দিল্লীতেই কত যুদ্ধ, কত হত্যাকাণ্ড হৈছিল, কত নৰৰ ৰক্তেৰে পৃথিবী প্লাবিত হৈছিল। হিয়া ভেদা সেই আখ্যানবিলাক বুৰঞ্জীয়ে মাথোন অলপ সোৰ'ৰাই দিয়ে।

অলপতে এই দিল্লী মহানগৰীতে ভাৰতৰ ৰাজভক্ত প্ৰজাই প্ৰীতিভাৱে আকুল প্ৰাণেৰে ৰাজদৰ্শন পাই আমোদ আনন্দ কৰি কৃতাৰ্থ হৈছিল। সেই সুখ সৌন্দৰ্য্যৰ অপূৰ্ব্ব আনন্দ কাহিনী পৃথিবীৰ ইমূৰৰপৰা সিমূৰলৈকে প্ৰতিধ্বনিত হৈছিল। সেই ৰাজঅভিষেক ভাৰত বুৰঞ্জীৰ এক যুগমীয়া কীৰ্ত্তি।

দিল্লী নামটোৰ উৎপত্তিৰ বিষয়ে কেইবাটাও কথা পোৱা যায়। এটা প্ৰবাদ আছে, বিক্ৰমাদিত্যৰ সময়ত দিলু বা ঢিলু নামেৰে এজন ৰজা আছিল। দিলু ৰজাই নিৰ্ম্মাণ কৰোৱা নগৰেই দিল্লী।

পৃথ্বিৰাজৰ ধ্বংস কৰা বিষ্ণু মন্দিৰৰ প্ৰাঙ্গনত এতিয়া এটা লৌহস্তম্ভ আছে। সেই স্তম্ভ পৃথিবীৰ মেৰুদণ্ড ভেদ কৰি ভূধৰ অনন্ত নাগৰ শিৰ কুটাকৈ প্ৰতিষ্ঠা কৰা হৈছিল বুলি সভাপণ্ডিতসকলে ব্যাখ্যান দিছিল। তোমাৰ বংশৰ অনঙ্গ পালে এই কথাত পতিয়ন নগৈ সেই খুটা খনাই পৰীক্ষা কৰিব খোজে। খানোতে ৰাঙলি হৈ তেজ ওলাল। পুনৰ পূৰ্ব্ববৎ প্ৰতিষ্ঠা কৰাৰ চেষ্টাও বিফল হল। সেই ঢিলা বা ঢিল্লী খুটাৰপৰাই দিল্লী নামৰ উৎপত্তি বুলিও জনশ্ৰুতি শুনা যায়। কোনোৰে আকৌ কয়, সূৰ্য্যবংশৰ দিলিপ ৰজাৰ নামৰপৰাহে দিল্লী নাম ওলাইছে। যেই কি নহওক, মোটতে দিল্লী নামটো প্ৰাচীন।

দিল্লীখন নতুন পুৰণি আৰু অতি প্ৰাচীন এই তিনি ভাগত ভগাব পাৰি। নতুন দিল্লী যমুনালৈৰ দাতিত। অট্টালিকাবিলাক শুৱনি, আগত ৰমক-জমক ফুলনি।



নতুন ৰাজধানীত এতয়াও অনেক অফিচ আদি তম্বুত অস্থায়ী ভাবেহে আছে। তাত গবৰ্ণমেণ্ট অফিচ আৰু অফিচৰেই ভৰা। দোকান বজাৰ নাই বুলিলেও হয়। তাৰপৰা ১॥ মাইল মান দূৰত হে দিল্লী নগৰ।

মোগল সম্ৰাট চাহজাহানে জেহানাবাদ নাম দি দিল্লী নগৰ নিৰ্ম্মাণ কৰাইছিল। এই নগৰখনৰ একালে যমুনা, বাকীখিনি শিলৰ দেৱালেৰে সুৰক্ষিত। নগৰ আগুৰি থকা দেৱালত লাহোৰ, কাশ্মিৰী, কাবুল, আজমীৰ প্ৰভৃতি কেইবাখনো “গেট” অৰ্থাৎ দুৱাৰ আছে। সেইবিলাক “গেটে” দিয়েহে এতিয়াও অহা যোৱা কৰা হয়। ইয়াৰ ভিতৰতেই প্ৰকাণ্ড ৰেল ষ্টেছন, দোকান বজাৰ, স্কুল, কলেজ, বিচাৰালয়, ৰঙ্গালয় প্ৰভৃতি দিল্লীৰ সকলো। বাৰীৰ চাৰি চাপৰ ভিতৰত বেৰাকোৰা ঘৰটো যেনে দিল্লী নগৰখনো তেনে। বৰ্ত্তমানৰ দিল্লীৰ দুৰ্গই অগুৰ মহল আছিল।

জুমা মচজিদ নগৰৰ ভিতৰত এটা পুৰাতনীয়া বস্তু। চাহজাহান বাদচাহে সজাইছিল। জুমা মচজিদত দিনে পাচ হাজাৰকৈ মানুহ খাটিছিল। ১৬৬৪ খৃষ্টাব্দৰপৰা কাম আৰম্ভ কৰি ছবছৰত নিৰ্ম্মাণ কাৰ্য্য শেষ হৈছিল। খৰচ পৰিছিল দহলাখ টকা। এই মচজিদলৈ পূব উত্তৰ আৰু দক্ষিণ এই তিনিখন দুৱাৰেদি সোমাব পাৰি। পূব ফালৰখনক বাদচাহী দৰজা বোলে। সম্ৰাটসকল এই দুৱাৰেদিহে প্ৰবেশ কৰিছিল, এতিয়াও ৰাজপ্ৰতিনিধি বা ৰাজপৰিয়ালবৰ্গৰ বাজে আনে সেই দুৱাৰে সোমাবৰ অধিকাৰ নাই। ৩৩ কি ৩৪ খাপমান উঠিলেহে মচজিদৰ ভিতৰৰ প্ৰাঙ্গন পোৱা যায়। ভিতৰৰ আহল-বহল সেই চোতালখন বৰ্গক্ষেত্ৰাকাৰ, তাৰ মাজত আকৌ বগা পাথৰেৰে তৈয়াৰ কৰা পুখুৰী যেন এটা ডাঙৰ পাত্ৰ আছে। পাত্ৰটো হেনো ৩০ × ২৪ হাত। চোতালখনৰ দীঘ বা পুতল ২৭২ হাত।

এই মচজিদত হেনো মহম্মদৰ এডালি ৰঙা চকুৰ নোম, পাথৰৰ ওপৰত থকা এটি ভৰিৰ খোজ, এজুৰি খৰম, এনেকুৱা কিছুমান পবিত্ৰ স্মৃতি-চিহ্ন অতি যত্নেৰে সংৰক্ষিত হৈ আছে। এইবিলাক মদিনাৰপৰা তৈমুৰে আনিছিল বুলি প্ৰবাদ আছে। এই মচজিদত সোমাবলৈ গলে “পাছ” লব লাগে। উপাসনাৰ সময়ত প্ৰবেশ নিষেধ। দুৱৰীটোক গোটাচেৰেক পইচা দিও অলপ চাব পাৰি।

ইয়াৰ উপৰিও চোনেহৰী, ফতেপুৰী প্ৰভৃতি আগৰদিনীয়া কেইবাটাও মচজিদ আছে।

বৰ্ত্তমান দিল্লীৰ যি দুৰ্গ সেইয়ে চাহজাহানৰ দুৰ্গ আৰু ৰাজধানী আছিল। সেই-বিলাকত অনেক চাবলগীয়া আৰু জানিবলগীয়া থাকিলেও চাবপৰা নহল। দুৰ্গৰ দুৰ্ভেদ্য দেৱাল আৰু লেক্‌পেক্ কৰে দীঘল তাৰবিহীন টেলিগ্ৰাফৰ খুটাকেটাকেহে মাথোন আঁতৰপৰা এলাই-পেলাই চোৱা হল।

সেই দুৰ্গৰ অন্তৰ্গত হৈ জগদ্বিখ্যাত ময়ুৰ-সিংহাসন উজ্জ্বল হৈ আছিল। প্ৰকাণ্ড ৰাজসভা বা দেৱানীআম, বাদচাহৰ বিশেষ সভা বা দেৱানীখাচ নামৰ অতি বিতোপন মনমোহা সভাগৃহবিলাকো তাতহে বিৰাজিছে। বাদচাহ আৰু বেগমসকলৰ উপাসনাৰ নিমিত্তে আওৰঙ্গজেবে এক লাখ ৬০ হাজাৰ টকা খৰচ কৰি সজোৱা সৰু অথচ সুন্দৰ মতি-মচজিদটিও তাৰ ভিতৰতেহে। হামাম বা বাদচাহী স্নানাগাৰ বোলে এতিয়াও আছে। পুৰণি ৰাজহাউলীয়ে কত স্মৃতি বুকুত বান্ধি আছে তাৰ লেখ-জোখ নাই।

দিল্লীত কেইবাখনো স্মৃতি-চিহ্নৰ বিতোপন ভ্ৰমণোদ্যান বা ফলফুল গছগছনিৰ আহল-বহল, গা জুৰাই ফুৰিবপৰা বাগিচা আছে। তাৰ ৰকম্-জমক ফুলনি, সেউজীয়া বননি, সুন্দৰ ওখ চাপৰ হৰেকৰকমৰ গছ, কৃত্ৰিম নিজৰাৰ পানী, আৰু সেন্দুৰীয়া বাটবিলাকৰ শোভা চাই, পাৰি পোৱা আৰামী বেঞ্চত খন্তেক জিৰালে কাৰ মননো ভাল নেলাগিব? চিপাহী-বিদ্ৰোহৰ বীৰত্ব আৰু বিষাদৰ স্মৃতি চিহ্নও দিল্লীত জিলিকি আছে।

সম্ৰাট চাহজাহানৰ স্নেহৰ তনয়া জাহানাৰা বেগমে কৰোৱা চাদনীচক নামে ধুনীয়া বাট আৰু বাগিচাতেই পৃথিবীপূজিতা ভিক্টোৰীয়া মহাৰাণীৰ প্ৰতিমূৰ্ত্তি উজ্জ্বল হৈ আছে। আগতে এটা প্ৰকাণ্ড ঘৰী-ঘৰ।

দিল্লী নগৰৰপৰা কুতব মিনাৰলৈ ১১ মাইল দূৰ। ৪।৫ টকাৰ ভাৰালৈ এখন ভাল টঙ্গা বা ঘোৰাগাড়ী বন্দবস্ত কৰি হেলাৰঙ্গে পুৰণি নগৰ আৰু গুৱনি কবৰ-বিলাক চাব পাৰি। সদৰ ৰাস্তা আহল-বহল। শিল পৰা নিমজ। বাটৰ দুয়ো কাষে ডাঙৰ-সৰু ওখ-চাপৰ, ভাল-বেয়া, ভগা-থকা অসংখ্য কবৰবিলাক আৰু অতি প্ৰাচীনকালৰ ভগাপৰা দেৱাল দুৰ্গ আদিৰ স্মৃতি চিহ্ন।

নগৰৰপৰা অলপ দূৰ গৈয়ে "তন্ত্ৰ মন্ত্ৰ" নামৰ প্ৰাচীনকালৰ এটা হিন্দু কীৰ্ত্তি পোৱা যায়। এই তন্ত্ৰমন্ত্ৰ বা মানমন্দিৰতেই অতীতৰ হিন্দুবিজ্ঞানৰ উন্নতিৰ বিশিষ্ট প্ৰমাণ পাব পাৰি। জ্যোতিশাস্ত্ৰ চৰ্চ্চা আৰু অভিজ্ঞতাৰ আদৰ্শ স্থান। তন্ত্ৰমন্ত্ৰ



দুটা অংশত বিভক্ত। এভাগত সূৰ্য্যৰ বিষয় আৰু আন ভাগত চন্দ্ৰৰ বিষয় জানিব পৰা কৌশলৰ নিৰ্ম্মাণ কাৰ্য্য। কি চমৎকাৰ কৌশল। একৰকম বেদীত কিছুমান এঢলীয়া,হেলনীয়া, বেৰাবেঁকা খলপা-খলপি শিলৰ পাট; তাত আঁক কটা আছে। এইবিলাকত সময় নিৰূপণ কৰা হৈছিল। দ্ৰাঘিমা, নক্ষত্ৰ, ৰাশি আৰু গ্ৰহণ আদিৰ কথা জনা আৰু আলোচনা কৰা অনেক চিত্ৰ-বিচিত্ৰ যুগমীয়া সজুলি পৰি আছে।

"তন্ত্ৰমন্ত্ৰত" সোমাই আমি কুতুব মিনাৰ চাবলৈ ওলালোঁ। বাট একেটাই, দুয়োফালে ৰিণিকি ৰিণিকি দেখালৈকে মুকলি। ছন-পৰা নিৰ্জ্জন ঠাই। হিন্দু মছলমানৰ শয়নভূমি। এই অনিত্যদেহৰ কথা মনত পোলোৱা পুৰণি পুৰীত সোঁচাকৈয়ে কেনেবা-কেনেবা যেন লাগে।

এই বাটৰ ওচৰতে আমাৰ ৰাজপ্ৰতিনিধি বৰলাট বাহাদুৰৰ স্থায়ী ৰাজবাৰীৰ প্ৰকাণ্ড আয়োজন চলিছে। তাকে কেন্দ্ৰ কৰিহে হেনো চিৰস্থায়ী নতুন ৰাজধানী হব। তাত কেউফালে অথালি-পথালিকৈ টেলিফোনৰ তাৰবিলাক মকৰাৰ জালৰ দৰে হৈ আছে।

আমি যোৱা দিনা বদ। আলিৰ দুয়ো দাঁতিৰ গছবিলাকৰ ছাঁত গৈ নতুন নতুন দৃশ্যবিলাক চাই বৰ ভাল লাগিছিল। ঠাইচেৰেকত ঘ, ঘেহ আৰু ধপাতৰ খেতিও দেখিছিলোঁ। এটা চাহতে দুটা শস্য কৰাত সেই ফালৰ মানুহবিলাক পাকৈত। শস্যত প্ৰতিপালো যথেষ্ট কৰে। দ নাদৰ পানী হলীয়া গৰুৰে টনাই শস্যত দিয়াও দেখিছিলোঁ। এঠাইত ডাঙৰ সৰু এজাক ম'ৰা চৰাইও দেখিলোঁ।

সোৱা কুতবমিনাৰ বুলি টঙাৱালাই দেখুৱালে। কুতব মিনাৰলৈ তেতিয়াও চাৰি মাইল বাকী। সেই দৃশ্য দেখি শিৱসাগৰলৈ যাওতে ন-পুপুৰীৰপৰা দেখা জয়দলৰ দৃশ্যটো মোৰ মনত পৰিছিল।

অসংখ্য অট্টালিকাৰে সৈতে প্ৰকাণ্ড ঠাইডোখৰ পালোঁগৈ। গেটৰ ওচৰ পালতে টঙ্গা ৰখালে। আমিও নামিলোঁ। সেই দূৰ ঠাইত সেই দিনা আমি তিনিজন অসমীয়া। অফিচৰ জন, মই, ইজনো এজন গোলাঘাটৰ ডেকা। তেওঁ দিল্লীতে এবছৰমান আছে।

কতকালৰ পুৰণা নগৰ। আহা কি মনোহৰ! ৰঙ্গচুৱা বাট, বিবিধ ফুল-লতা ধুনীয়াকৈ সজোৱা বাঁহনি চালে চকু জুৰায়। গবৰ্ণমেণ্টৰ অনুগ্ৰহত উদং নগৰো

তিৰবিৰাই আছে। প্ৰাচীন হিন্দুনগৰৰ কি শোক-লগা অৱস্থা। প্ৰতিদ্বন্দিতা আৰু উদ্ধতালি কৰি নিজৰ প্ৰাধান্য স্থাপন কৰা মচলমান কীৰ্ত্তিৰ কি দশা! মাজতে আকাশলঙ্ঘা কুতব মিনাৰে যেন অতীতৰ বিষাদ সুৰ ধৰি আছে।

অসংখ্য অট্টালিকা, প্ৰকাণ্ড দেৱাল, কতনো কবৰ, সকলো ধ্বংসাৱশেষ। তাৰ বিৱৰণ দিবলৈ অপাৰগ। হিন্দু মন্দিৰ ধ্বংস কৰি মুচলমান কীৰ্ত্তি ঘোষণা কৰা পুৰণি কুতুব মিনাৰ ন যেন হৈ আছে। এই মিনাৰ বা স্তম্ভ দিল্লীৰ প্ৰথম মচলমান ৰজা কুতুবউদ্দিনে কৰাইছিল, কুতুব মিনাৰ এটা ভয়ানক স্তম্ভ। ই ওখই আঠকুৰি হাতৰ ওপৰ। কুতুব মিনাৰৰ আকৃতি ঘূৰণীয়া। গঠন মনোৰম। মিনাৰটো পাঁচ ভাগত বিভক্ত। প্ৰথম তিনি ছোৱা নিমজ চিকুনিকীয়া শিলৰ, বাকী দোছোৱা বগা আৰু ৰঙা শিলেৰে নিৰ্ম্মিত। প্ৰত্যেক ভাগৰ নিৰ্ম্মাণ প্ৰণালী একে নহয়। এভাগ কঠাল-কুহীয়া যদি আন ভাগ কৰ্দৈশিৰীয়া, ইত্যাদি। সেৰীয়া আধেৰীয়া পোৱা আদিৰ ডগাবিলাক একেলগে থাক পাতি থলে যেনে, কুতুব মিনাৰো তেনে, আগলৈ চিচিৰা। ভাগকেইটাত বাৰাণ্ডা আছে। বাৰাণ্ডা নাঘৰঠীয়া বাৰীত গছ বন্ধাৰ দৰে নগৰা বা তামোলগছৰ পানৰ মাহীৰ দৰে। সেই বাৰাণ্ডাত নিসংশয় মনেৰে ঘূৰিব পাৰি। কুতুব মিনাৰৰ ভিতৰখন এদতীয়াকৈ ফোপোলা। মাটিৰ পৰা ওপৰলৈ ভিতৰে ভিতৰে হেলনীয়া খলপাখলপি বাট আছে। ভিতৰৰপৰা বাৰাণ্ডালৈ ওলাব পাৰি। ভিতৰৰ বাটটোও ওপৰলৈ ক্ৰমে ঠেক। কুতুব মিনাৰৰ ওপৰখন উদং। আগৰ যি কলচী আছিল খহি পৰিল। ওচৰতে এতিয়া তাৰ আহি এটা মাথোন থোৱা হৈছে। এখাপ দুখাপকৈ ৩৭৫খাপ উঠি গৈ টিং পালোঁগৈ দিল্লীৰ সেই অত্যুচ্চ মিনাৰৰপৰা ভাৰতবিখ্যাত বুৰঞ্জীপ্ৰখ্যাত উচ্ছন্ন নগৰখন কেউফালে চোৱা হল। বহুত দূৰলৈকে অনেক দৃশ্য দেখা গৈছিল। কিছু পৰ থাকি আমি নামিবলৈ ধৰিলোঁ। উঠোতকৈ নমাত সোনকাল আৰু সহজ যেন পোৱা গৈছিল। ওপৰৰপৰা তললৈ ভিতৰে ভিতৰে এচলা তাম লগোৱা আছে। ১২০০ খৃষ্টাব্দত মিনাৰৰ কাম আৰম্ভ হৈছিল। ২০ বছৰতহে সেই কাম সামৰ্দ্ধ হৈছিল।

দিল্লী নাম প্ৰচলিত হোৱা হিন্দুৰ বিষ্ণু মন্দিৰৰ সেই লৌহস্তম্ভ কুতুব মিনাৰৰ কাষতে। এতিয়া বিষ্ণু মন্দিৰ নাই। আছে সেই লৌহস্তম্ভ। আৰু আছে মাথোন মছলমান বিদ্বেষৰ ধ্বংসাৱশেষ। ভগা-ছিগা দেৱালত বিকৃতি কৰা নাক কাণ ভঙ্গা



হিন্দুৰ মূৰ্ত্তিবিলাক এতিয়াও চিনিব পাৰি। এক অংশত বৌদ্ধ মূৰ্ত্তিবিলাকৰো একেই দশা। হিন্দুৰ মন্দিৰ বৰ্জ্জিত কৰি গোৰস্থানত পৰিণত কৰিছিল।

লৌহস্তম্ভটো ১৫।১৬ হাত মান ওখ হব। বেৰটো গৰা পোৱা। সেই স্তম্ভটো কোনোৱে মিশ্ৰিত ধাতু আৰু কোনোৱে শুদ্ধ লোৰ তৈয়াৰি বুলি কয়। খুটাটো নিমজ। মামৰ আদি অলপকে নাই। ব্যৱহাৰ কৰা চাবিৰ দৰে। সেই খুটাত থকা আখৰবিলাকত হেনো দ্বিতীয় অনঙ্গ পালে ১০৫২ চনত দিল্লী নগৰ প্ৰতিষ্ঠা কৰাইছিল বুলি আছে। মহাৰাট্টাবিলাকে বৰ হিলৈ মাৰিও খুটাটো একোকে কৰিব নোৱাৰিছিল হেনো।

আলাউদ্দিনে কুতুব মিনাৰৰ দুগুণকৈ কৰাৰ খোজা আধা কৰোৱা মিনাৰটোও ওচৰতে থিয়হৈ আছে।

সকলোৰে কীৰ্ত্তি, প্ৰতিহিংসা প্ৰতিদ্বন্দিতা, যশ গৌৰৱ আদি কালৰ কোলাত আৱদ্ধ। পুৰণি নগৰখনৰ কেউভালে যিমান দূৰ পৰা হয় চোৱা হল। কত স্মৃতি কত সমাধি দেখা হল তাৰ বিতং বিৱৰণ দিবলৈ অপাৰগ।

নেদেখা বস্তু নেদেখা দৃশ্য দেখি অসংখ্য ঘটনাপূৰ্ণ ঠাই চাই ফুৰোতে দুপ ভাগৰ বন বতাহলৈ পৰোৱাই কৰা নাই যদিও প্ৰকৃততে ভাগৰ লাগিল, ওচৰত থকা ডাকবঙ্গলাত গৈ লৈ যোৱা জলপান সুবিধামতে খোৱা হল। অলপ জিৰণি লৈ যোগমায়াৰ মন্দিৰ দৰ্শন কৰিবলৈ ওলালোঁ।

কুতুব মিনাৰৰ চৌহদৰ বাহিৰতে যোগমায়াৰ মন্দিৰ। তালৈ যাওঁতে ভালেমান ভগা ছিগা অট্টালিকা আৰু ভয়ানক দ পকানাদ দেখিছিলোঁ। এটা দ দীঘলীয়া পুখুৰী আছে। তাত হেলনীয়াকৈ তললৈকে শিলৰ খটখটি। দৰ্শকৰ দৰ্শনীলৈ অপেক্ষা কৰি কেইবাটা মানুহও পানীত জাপ মাৰি দেখুৱাবলৈ তাত প্ৰস্তুত আছিল।

কৃষ্ণৰ ভনীয়েক যোগমায়া। সেই যোগমায়াৰে মন্দিৰ। এই মন্দিৰ যুধিষ্ঠিৰ ৰজাৰ দিনতে স্থাপিত বুলি কথিত আছে। বৰ্ত্তমান থকা দেৱালয় ১৫২৭ চনত তৈয়াৰ কৰোৱা হেনো। মন্দিৰৰ ভিতৰখন ঘোপমৰা এন্ধাৰ নহয়, জাকজমকো আছে। যোনীপীঠ আৰু শিৱলিঙ্গই দেৱালয়ৰ বিগ্ৰহ। তাৰ পাণ্ডাবিলাকে পেৰাপেৰি বা খট্‌ৰাঙ্ক কৰা নাছিল।

আন এটা বাটেদি আকৌ আমি আগৰ ঠাই ওলালোহি। কিছুমান মানুহে এই ঠাইবিলাক দেখুৱাই ফুৰে। সিইতক অলপ বক্‌চিচ দিলেই হয়।

এই পুৰণি নগৰৰ দৃশ্য চোৱা দৰ্শক ওৱাহোৱা। যেনিয়ে তেনিয়ে দেশী-বিদেশী মতা মাইকী অনেকক পিট্‌পিটাই ফুৰা দেখিলোঁ।

যোৱা বাটেইদি উভতিলোঁ। ঘৰমুৱা হলত ঘোৰাই চেকুৰ মেলিলে। চলাওঁতাই লেকাম টানিহে ষাব লগাত পৰিছিল। বাটে বাটে আগেয়ে ওলোৱা অনেকক পাছ পেলাবলৈ ধৰিলে। হুমায়ুন বাদচাহৰ কবৰ চাওঁ বোলাত আন এটা আলিয়েদি টঙ্গা ঘূৰালে।

বাটতে কিছুমান কবৰ আৰু মচজিদ চাইছিলোঁ। ঠাইডোখৰ জমাতখানানে কি মনত নাই। সেইডোখৰ মছলমানৰ তীৰ্থ ক্ষেত্ৰ যেন দেখিলোঁ। সঁচাকৈয়ে তাত অনেক যাত্ৰীও দেখিছিলোঁ। তাত ভালেমান সমাধি আৰু এটা ডাঙৰ মচজিদ আছে। তাৰ সুন্দৰ মনমোহা কাৰুকাৰ্য্য দেখিলে কোন মোহিত নহৈ পাৰে? ৰঙা বগা বহুমূলীয়া চিক্‌মিকীয়া পাথৰৰ যি চিত্ৰ বিচিত্ৰ বিতোপন নক্সা। দেৱালৰ ভিতৰত ওপৰত উল্লেখ কৰি অহাৰ নিচিনা ইয়াটো এটা পুখুৰী আছে।

ইয়াৰপৰা ওলাই একেবাহে গৈ হুমায়ুনৰ সমাধিক্ষেত্ৰ পালোঁগৈ। দিল্লীৰ ভিতৰত ইও এটা প্ৰধান বস্তু। ঢক্‌ঢক্ কৰে বগা অতি ওখ ডাঙৰ মাৰ্ব্বলৰ শিলৰ বৃহৎ অট্টালিকা! অতি পুৰণি হৈছে যদিও তিৰবিৰাই আছে, ইয়াৰ ভিতৰত অসংখ্য কোঠা, প্ৰত্যেকতে কবৰেৰে পৰিপূৰ্ণ। হুমায়ুনৰ সমাধি কেন্দ্ৰত, ঘৰটো কেইবামহলীয়াও। ইয়াৰ চাৰিওফালে ধুনীয়া ফুলনিবাৰী, ফুলনিখন দেৱালেৰে আগুৰা। দেৱালত যাতায়াতৰ নিমিত্তে "গেট" আছে। তাত নানা বৰণৰ বিতোপন নক্সা আৰু গেটত প্ৰকাণ্ড "দৰ্জা" আছে। ১৫ লাখ খৰচতহে এই চিৰকালৰ শয়ন গৃহ নিৰ্ম্মাণ হৈছিল। ভিতৰত এতিয়া নহলেও আগেয়ে অনেক মূল্যবান জ্যোতিৰ্ম্ময় পাথৰবিলাক থকাৰ প্ৰমাণ।

হুমায়ুনৰ কবৰস্থলৰ ওচৰতে এটা পুৰণি কিল্লা আছে। তাৰ ভিতৰতেই হুমায়ুন "লাইব্ৰেৰী" আছিল। তাৰ ভিতৰত মচ্‌জিদৰ খট্‌খটিৰপৰা পিচলি থাই সম্ৰাটে মৰণ কালত কষ্ট ভুগিছিল, এই ঠাইৰ দৃশ্য বাহিৰৰপৰাহে যি দেখিলোঁ, বেলি পৰো পৰো হোৱা দেখি গুচি আহিলোঁ।

শ্ৰীভ্ৰমৰচন্দ্ৰ শইকীয়া।

---



# মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ।

ভাদ মাহ পুণ্য মাহ। এই ভাদতে আমাৰ দুইজনা মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱৰ তিথি। আমাৰ মহোপকাৰী পৰম গুৰুৰ পৱিত্ৰ স্মৃতিত আমাৰ হৃদয়ৰ ভক্তিপুষ্পাঞ্জলি অৰ্পণ কৰি নিজৰ জীৱন ধন্য কৰিবলৈ এবছৰৰ মূৰত আজি আকৌ আমি এই শুভদিন পাইছোঁহঁক। আহাঁ ভাই আহাঁ, আজি সেই মহাপুৰুষৰ তিথিত সকলোৱে মিলি হিয়াৰ দুৱাৰ মুকলি কৰি দি ঈশ্বৰৰ কৰুণা-কিৰণ তাত সোমাবলৈ দি আমাৰ জীৱন সাৰ্থক কৰোঁহঁক। দুইজনা মহাপুৰুষ অভিন্ন অভেদ। তেওঁলোক দুয়ো গুৰু-শিষ্যৰূপে, স্বৰূপ আৰু প্ৰতিবিম্বৰূপে, ঈশ্বৰৰ সত্তা, ঈশ্বৰৰ বাণী বহন কৰি, অজ্ঞানত কলমলাই থকা জীৱৰ প্ৰতি কৰুণা কৰি আমাৰ মাজলৈ আহিছিল। আমি যেনেকৈ আমাৰ শঙ্কৰদেৱক পাই সাৰ্থক হৈছোঁ, পৰমগুৰু, পৰম কৃপালু, মহাপুৰুষ, এই কেইটা বিশেষণো এইজন মহাপুৰুষত অৱলম্বন কৰি সাৰ্থক হৈছে। অজ্ঞান-আন্ধাৰত পৰি থকা লক্ষ লক্ষ জীৱক, গুৰু শ্ৰীশঙ্কৰদেৱে হাতত ধৰি লৈ, ইহকালৰ মানৱী জীৱন সাৰ্থকতাৰ বাটত আগবঢ়াই লৈ গৈ, আৰু পৰকালত সেই অভীষ্ট বস্তু ঈশ্বৰক পোৱাই দি পৰম আনন্দ লাভৰ অধিকাৰী কৰিলে। বিভিন্ন শ্ৰুতি স্মৃতি দৰ্শন পুৰাণে বিভিন্ন পথ দেখুৱাই জ্ঞানলাভ, মুক্তিলাভ আৰু ঈশ্বৰ লাভৰ বাটত বিমোৰ কৰি দিয়া অল্পপ্ৰাণ যাত্ৰীক এইজন মহাগুৰুৱেই অভয় দি উজু প্ৰকৃত বাট দেখুৱাই লৈ গৈছিল; আৰু আজিও এইজনৰ পুণ্যবাণীয়ে "মেঘৰ গম্ভীৰ ধ্বনিৰে" লক্ষ লক্ষ যাত্ৰীক সেই বাটৰ "সন্ধান দি" আগবঢ়াই লৈ যাব লাগিছে। এইবাবেই পুণ্যশ্লোক কুসুমবৰ ভূঞাৰ পুত্ৰৰত্ন এই শ্ৰীমন্ত শঙ্কৰ আমাৰ মহাগুৰু। ভগৱদ্ভক্ত আন আন অনেক গুৰু আৰু ঋষি মুনিসকলৰ দৰে এইজনে মুক্তিৰ সঁচাৰ হাতত লৈ অমৃতধনৰ অধিকাৰী হৈ অকলৈ পৰমানন্দ ভোগ কৰিবৰ নিমিত্তে, অথবা দুজন চাৰিজন তত্ত্ব-জিজ্ঞাসু সেই পৰমধনপ্ৰাৰ্থী প্ৰিয় শিষ্যক মাথোন সেই ধনৰ কণিকা দান কৰি, গহীন অটবী বা সুদূৰ আশ্ৰমত নাইবা পৰ্ব্বতৰ কন্দৰত বহি মানৱী জীৱন নকটাই, হাতত সেই অমৃতধনৰ ভাণ্ড লৈ, জীৱৰ মঙ্গলৰ অৰ্থে কৃপাপৰবশ হৈ ঠায়ে ঠায়ে, ঘৰে ঘৰে, অশেষ প্ৰৰিশ্ৰম কৰি অমৃতধন বিলাই ফুৰিছিল। নিজৰ সন্মান, খ্যাতি, প্ৰতিপত্তি, ধন সম্পত্তিৰ নিমিত্তে এক মুহূৰ্ত্তেও তেওঁৰ মন অধিকাৰ কৰা নাছিল;—বৰং সেইবোৰ নিজৰ হাতৰ তলুৱাত থকা সত্বেও

সেইবোৰক অকিঞ্চিৎকৰ আৰু ভৱৰোগৰ অপথ্য মাথোন ভাবি পৰিত্যাগ কৰিছিল। এই বাবেই এইজন শ্ৰীমন্ত শঙ্কৰ পৰম কৃপালু বিশেষণেৰে বিভূষিত। সুখে দুখে সম্পদে বিপদে অটল থাকি, দুৰ্ঘোৰ বিপদতো নিজৰ লক্ষ্যভ্ৰষ্ট নহৈ, লক্ষ লক্ষ সাধাৰণ পুৰুষৰ ওপৰত নিজৰ অত্যুচ্চ প্ৰভাৱ অলক্ষিতে বিস্তাৰ কৰি, পাপী পুণ্যাত্মা বৰ-সৰু-নিৰ্ব্বিশেষে সকলোকে আধ্যাত্মিক জীৱনৰ ওপৰ-থাপলৈ টানি তুলি ঈশ্বৰ লাভৰ অধিকাৰী কৰিছিল এইজন বিশাল পুৰুষেই ;—সেইদেখি এইজন পৰম কৃপালু গুৰু মহাপুৰুষ। এতেকে আহাঁ ভাই আহাঁ, আজি এই মহাদিনত এই মহাপুৰুষে পেৰা মুকলি কৰি আনি প্ৰকাশ কৰা গুপ্ত বিত হৰিনাম লৈ নিজক ধন্য কৰোঁহক! শ্ৰীমন্ত শঙ্কৰে যাবজ্জীৱন পৰিশ্ৰম কৰি যি নিগম-নিগূঢ় নামধৰ্ম্ম বিত্ত আমাক উলিয়াই দি গৈছে, সেই নামধৰ্ম্মক আশ্ৰয় কৰি, তেওঁৰ পুণ্যস্মৃতিক মনত দীপ্ত কৰি, আহাঁ আজি আমি তেওঁৰ চৰণত ভক্তিভৰেৰে কৃতজ্ঞতা জ্ঞাপন কৰোঁহক! আহাঁ আজি আমি ঈশ্বৰৰ আশীৰ্ব্বাদৰ পুষ্পবৃষ্টি আমাৰ মূৰলৈ নমাই আনি আমাৰ এই মনুষ্য জনম সাফল কৰোঁহক। আহাঁ, আমি এই মহাপুৰুষৰ মহাবাক্যেৰে আমাৰো ক্ষুদ্ৰ বাক্য মিলাই গাওঁহক—

"ৰাম হৰি বোলা মুখে।
সংসাৰ তৰিবা সুখে॥"

মহাপুৰুষ শ্ৰীশঙ্কৰদেৱে যি নামধৰ্ম্ম প্ৰচাৰ কৰিলে সেই নামধৰ্ম্মই যে সকলো ধৰ্ম্মৰ সাৰ, তাৰ বাহিৰে যে কলিত একো নাই, এই কথা আমি এই কলিকালত প্ৰচলিত এটাইকেইটা ডাঙৰ ধৰ্ম্মলৈ চকু দিলেই দেখিবলৈ পাওঁ। জগতৰ বিভিন্ন ধৰ্ম্মৰ ভিতৰত নামধৰ্ম্মেই সম্মিলনৰ ঠাই। হৰিনামধৰ্ম্মই সকলো বিভিন্ন ধৰ্ম্মৰ কেন্দ্ৰ, সকলো ধৰ্ম্মৰ প্ৰাণ। হিন্দু, মুছলমান, খৃষ্টিয়ান বৌদ্ধ, জৈন আদি সকলো সম্প্ৰদায়ৰ মানুহে জাতিগত সম্প্ৰদায়গত পাৰ্থক্য পাহৰি, সঙ্কীৰ্ণতা পৰিহাৰ কৰি এই Common platform অৰ্থাৎ উমৈহতীয়া ঠাইডোখৰত মিলি সকলো ধৰ্ম্মৰ সাৰ নামধৰ্ম্ম আচৰণ কৰিব পাৰে। বেলেগ বেলেগ জাতিৰ, বেলেগ বেলেগ ধৰ্ম্মপন্থাৰ, বেলেগ বেলেগ উপাসনা প্ৰণালীৰ মাজত এই নামধৰ্ম্মতে সকলো ধৰ্ম্মৰ ঐক্য প্ৰকাশিত হৈছে। পৰব্ৰহ্মবাচক সকলো নামেই উচ্চাৰণত পৃথক হলেও, পৰমাৰ্থত একে বস্তু। ঈশ্বৰৰ কোনো নিৰ্দ্দিষ্ট নাম নাই। তেওঁক ব্ৰহ্ম, গড, আল্লা, খোদা, হৰি, ৰাম, কৃষ্ণ, কালী, দুৰ্গা, বুলি কায়বাক্য মনেৰে মাতি তেওঁত শৰণ পশিলেই



সংসাৰ তৰিব পাৰি। অৱশ্যে সেইবোৰ নাম ব্যৱহাৰ কৰোতে তাৰ প্ৰচলিত জাতি-গত সম্প্ৰদায়গত ব্যৱহাৰৰ সংকীৰ্ণ ভাৱত আবদ্ধ নাথাকি, কালমায়া আদিৰ অধিকাৰী সৃষ্টি স্থিতি লয়ৰ গৰাকী সৎচিৎ আনন্দ পৰমেশ্বৰৰ ধাৰণা মনত সম্পূৰ্ণৰূপে ধাৰণ কৰি সেই নাম উচ্চাৰণ কৰিলেই কাৰ্য্যসিদ্ধি। মুছলমানে মজিদত সোমাই "আল্লাহো আকবৰ" বুলি পৰম ঈশ্বৰৰ নাম লোৱাও নামধৰ্ম্ম, খৃষ্টিয়ানে গিৰ্জ্জাত সোমাই O Lord! হে "লৰ্ড" বোলাও নামধৰ্ম্ম, ব্ৰাহ্ম সম্প্ৰদায়ৰ ভিতৰুৱাসকলে "জয় জয় ব্ৰহ্ম" বোলাও নামধৰ্ম্ম, শাক্তই কালীমন্দিৰত দুৰ্গামন্দিৰত সোমাই কালী দুৰ্গা নাম উচ্চাৰণ কৰাও নামধৰ্ম্ম। নামধৰ্ম্মকে জ্ঞাতসাৰে বা অজ্ঞাতসাৰে, মুখেৰে স্বীকাৰ কৰি বা অস্বীকাৰ কৰি, সকলোধৰ্ম্মৰ মানুহে তাকে এক মাথোন আচৰণ কৰে আৰু তাকে ভৱ-সাগৰৰ তৰণী বুলি অৱলম্বন কৰে। হিন্দুৱে কাল মায়া আদিৰ অধিকাৰী, সৃষ্টি স্থিতি লয়ৰ গৰাকী পৰমেশ্বৰক কৃষ্ণ বোলাত যি সাৰ্থকতা, মুছলমান আৰু খৃষ্টানে তেনে ধাৰণা মনত দৃঢ়ভাৱে অঙ্কিত কৰি লৰ্ড বা আল্লা বোলাতো সেই সাৰ্থকতা। এনে "সকলো ধৰ্ম্মৰ ওপৰে বসিয়া হৰিৰ নাম প্ৰাকাশক" নামধৰ্ম্মক যিজন মহাপুৰুষে লক্ষ বাৰ দৃঢ়ভাৱে মানুহক লবলৈ কৈ মনুষ্য সমাজৰ উপকাৰ কৰি গৈছে সেইজন মহাপুৰুষক আহাঁ আজি আমি ভক্তিভাৱে নমস্কাৰ কৰি তেওঁৰ পবিত্ৰ স্মৃতিক আমাৰ অন্তৰত প্ৰদীপ্ত কৰি তোলোঁহক। হে হিন্দু, হে মুছলমান, হে খৃষ্টান, হে শাক্ত, হে শৈৱ, হে সৌৰ, হে গাণপত্য! আহাঁ আজি সেই সৰ্ব্ব ধৰ্ম্ম সমন্বয়কাৰী মহাপুৰুষৰ পবিত্ৰ স্মৃতিৰ পবিত্ৰ তিথিৰ দিনা আমি উচ্চ বোল কৰি পৰমপিতা পৰমেশ্বৰৰ নাম গাই নিজক ধন্য কৰোঁহক আৰু তেওঁৰ পুণ্যস্মৃতিৰ প্ৰতি কৃতজ্ঞভাৱে সম্মান প্ৰকাশ কৰোঁহক। হিন্দু, আজি তুমি "অতি সুকোমল, পৰম মঙ্গল" ৰাম বোলা, কৃষ্ণ বোলা, হৰি বোলা! মুছলমান তুমি আল্লা বোলা, খৃষ্টান, তুমি গড বোলা, লৰ্ড বোলা! য়িহুদী তুমি জিহোবা বোলা! ব্ৰাহ্ম, তুমি "ব্ৰহ্ম কৃপাহি কেৱলং" বোলা! বুলি বিজয়ধ্বনিৰ বৈজয়ন্তীপতাকা হাতত লৈ সংসাৰ সাগৰত তোমাৰ নামধৰ্ম্মৰ নাও মেলি দিয়া,—চোৱা "ঐ যে দেখা যায় (ঈশ্বৰৰ) আনন্দধাম ভৱ-জলধিৰ পাৰে!" ভয় নাই, তোমাৰ নাৱঁৰ গুৰিত হৰিনামৰ প্ৰবীণ গুৰিয়াল মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ। চোৱা, চকু মেলি চোৱা, তেওঁৰ নাৱৰ কুঙ্কিত বামুন, শূদিৰ, গাৰো, ভোট, যৱন আৰু মহাভক্ত মুছলমান চান্দসাই (চান্দখাঁ?) আনন্দ মনেৰে উঠি আছে।

অৱশ্যে কোন নামৰ বেছি সাৰ্থকতা, কোন নাম উজু আৰু হৃদয়মনৰঞ্জক সেই বিষয় লৈ আজি আমি আলচ নকৰোঁ। ভাই! নিজ নিজ ধৰ্ম্মৰ নিজ নিজ সম্প্ৰদায়ৰ বিহিত মহান্ ঈশ্বৰ ভূমানন্দ পুৰুষৰ নাম আজি লোৱা তুমি, সেই নামতেই তোমাৰ সাৰ্থকতা, সেই নামেই তোমাৰ "ভৱতি ভাৱৰ্ণৱ তৰণ নৌকা।"

পৰমেশ্বৰ এক, আৰু তেওঁ দিয়া মানুহৰ ধৰ্ম্মও এক। যি সত্য সিয়েই ধৰ্ম্ম। সত্য ধৰ্ম্মত দল বা সম্প্ৰদায় নাই। প্ৰকৃত ধৰ্ম্ম সাৰ্ব্বভৌমিক, তাত সঙ্কীৰ্ণতা নাই। সকলো ধৰ্ম্মত অনুপ্ৰবিষ্ট, সকলো ধৰ্ম্মৰ সাৰ, আৰু "পাপ বিপক্ষক সংহৰি খলখলি হাসি" সকলো ধৰ্ম্মৰ ওপৰত বহি প্ৰকাশি থকা ধৰ্ম্মই নামধৰ্ম্ম আৰু সি জনমানৱৰ উদাৰ ধৰ্ম্ম। ব্ৰাহ্মণ, শূদ্ৰ, স্ত্ৰী, পুৰুষ, উৎকৃষ্ট, অপকৃষ্ট, খৃষ্টান, মুছলমান, বৌদ্ধ, জৈন, সকলো এই ধৰ্ম্মত সমান অধিকাৰী, পৰমেশ্বৰৰ সন্তান সকলোৰে এই ধৰ্ম্ম মুক্তিৰ নিমিত্তে উমৈহতীয়া সমল। "উদাৰ চৰিতানাম্ভ বসুধৈব কুটুম্বকং"— মহাপুৰুষসকলৰ অৱতাৰ এই ধৰ্ম্ম প্ৰচাৰ কৰিবলৈহে। তেওঁলোকে গোটেই মনুষ্য সমাজৰ কল্যাণৰ নিমিত্তেই এই পৃথিবীলৈ আহে, আৰু সেই লক্ষ্য মনত ৰাখি সকলো বাধা-বিঘিনি অতিক্ৰম কৰি, স্বাৰ্থ বিসৰ্জ্জন দি এই মহাসত্য মহাধৰ্ম্ম প্ৰচাৰ কৰে। তেওঁলোক ভাঙিবলৈ নাহে, গঢ়িবলৈ হে আহে; সম্প্ৰদায় আৰু দলাদলি সৃজন কৰিবলৈ নাহে, তাৰপৰা মানুহক মোকোলাবলৈহে আহে; তেওঁলোকৰ পিছত হে দলাদলি আৰু সাম্প্ৰদায়িকতা সৰু মনৰ মানুহৰ দ্বাৰাই সৃষ্টি হয়। আজি আমি যিজন মহাপুৰুষৰ প্ৰতি সম্মান প্ৰদৰ্শন কৰিবলৈ ইয়াত গোটখাইছোঁহঁক, সেই জনো "বসুধৈব কুটুম্বকং" মহাপুৰুষ, সি সকলো মানৱ মণ্ডলীৰ কল্যাণৰ অৰ্থে, লক্ষ বিপদ বিঘিনি অতিক্ৰম কৰি, নামধৰ্ম্মৰ মহিমা প্ৰচাৰ কৰি গল! এতেকে আহাঁ ভাই কৃতজ্ঞ হৃদয়েৰে আহাঁ, তেওঁৰ চৰণত আমাৰ ভক্তি-পুষ্পাঞ্জলি প্ৰদান কৰোঁহঁক।

ধৰ্ম্ম শব্দটো আমি প্ৰায়েই এনেকৈ ব্যৱহাৰ কৰোঁহক যে তাৰ আচল মানেত খেলিমেলি লাগি পৰে। ধৰ্ম্মৰ দুটা বিভাগ আছে,—এটা আধ্যাত্মিক (Spiritual) আনটো সামাজিক (Social)। আধ্যাত্মিক ধৰ্ম্ম আৰু সামাজিক ধৰ্ম্ম এই দুটা সম্পূৰ্ণৰূপে সুকীয়া বস্তু। গীতাত যে কৈছে—"স্বধৰ্ম্মে নিধনং শ্ৰেয়ঃ পৰধৰ্ম্মো ভয়াবহঃ" এইটো সামাজিক জাতিগত ধৰ্ম্মহে। সমাজ-শৰীৰৰ অঙ্গ প্ৰত্যেক জাতৰ যিটো স্বধৰ্ম্ম, অৰ্থাৎ যিটোৱে সেই জাতৰ অন্তৰ্গত মানুহক সামাজিক বান্ধোনেৰে বান্ধি থৈছে, সেইটো বান্ধোন শোলোকাই পেলাই যি সমাজ-শৰীৰৰ আন এটা অঙ্গ বিজাতীৰ ধৰ্ম্ম (ধৃ-ধাতু; ধ্ৰিয়তে অনেন লোকঃ) গ্ৰহণ কৰিবলৈ যায়, সেই-জনে নিজৰ পুৰুষানুক্ৰমিক উপাৰ্জ্জিত জ্ঞান আৰু নৈপুণ্যৰপৰা নিজক বঞ্চিত কৰি অনধিকাৰ চৰ্চ্চা কৰিলে যে সমাজৰ অনিষ্ট হয়, এই মহাসত্যকে বুজাবলৈহে গীতাই এইষাৰ কথা কৈছে। আমি আগেয়ে অনেকবাৰ কৈ আহিছোঁ, যে গীতাৰ সদায় ৰব চিন্তা, যাতে সমাজত সামাজিক বান্ধোনৰ বিপৰ্য্যয় নঘটে, সেই বান্ধোনৰ ভিতৰতে নিৰ্দ্দিষ্ট প্ৰণালীৰ ভিতৰৰা হৈ সকলো মানুহৰ শক্তি সামৰ্থ্য চেষ্টা আৰু কাৰ্য্য থাকি তাৰ ভিতৰতে সি উন্নতিলাভ কৰে, কাৰণ তেনে উন্নতিত উশৃঙ্খলতা আৰু বিপ্লৱ নাই, অথচ সি সুদৃঢ়। গীতাই ভালকৈ জানে, আৰু গীতাৰ শিক্ষাই ভালকৈ হিন্দু-ধৰ্ম্মসংস্কাৰকসকলক বুজাই দিছে, যে দেশ-কাল-পাত্ৰভেদে শাস্ত্ৰোক্ত বৰ্ণাশ্ৰম ধৰ্ম্মৰ (আধ্যাত্মিক ধৰ্ম্মৰ নহয়) যথোচিত মৰ্য্যাদা ৰক্ষা কৰি তেওঁলোকে ধৰ্ম্মসংস্কাৰ আৰু ধৰ্ম্মপ্ৰচাৰ (আধ্যাত্মিক ধৰ্ম্ম) কৰিব লাগিব। সেইদেখি, কি শঙ্কৰদেৱ, কি মাধৱদেৱ, কি চৈতন্যদেৱ কোনো, বৰ্ণাশ্ৰম ধৰ্ম্মত হাত দি বিপ্লৱ ঘটোৱাৰ পক্ষপাতী নাছিল। তেওঁলোকে জানিছিল যে বৰ্ণাশ্ৰম ধৰ্ম্ম সামাজিক ধৰ্ম্মৰ বান্ধোন অক্ষুণ্ণ ৰাখিও জাতিবৰ্ণনিৰ্ব্বিশেষে সকলো মানুহে নামধৰ্ম্মৰ বেদীত মিলি অপ্ৰতিহতভাৱে সেই মহাযজ্ঞ সমাপন কৰি ভৱ-সংসাৰ তৰি ঈশ্বৰ লাভৰ পথৰ পথিক হব পাৰিব। বাস্তবিকপক্ষত এই বৈচিত্ৰময় পৃথিবীত বিভিন্ন ধৰ্ম্ম, বিভিন্ন সম্প্ৰদায়, বিভিন্ন জাতিৰ সকলো ধৰ্ম্মৰ সমন্বয় যে নামধৰ্ম্ম তাত সন্দেহ নাই;—তেহেলৈ সকলোৱে সেই কথা মুখেৰে স্বীকাৰ কৰক বা নকৰক।

যি সত্যস্বৰূপ, সেয়েই পৰমেশ্বৰ। যি সত্য সিয়েই ধৰ্ম্ম, কাৰণ সি পৰমেশ্বৰে দিয়া মানুহৰ হৃদয়ৰ বাণী। যি ধৰ্ম্মই পৰমেশ্বৰক লাভ কৰিবৰ বাটত আগবঢ়াই লৈ যায়, সেয়েই সত্যধৰ্ম্ম। সত্যবস্তু পৰমেশ্বৰক অসত্য বস্তুৰে লাভ কৰিব নোৱাৰি। সত্যধৰ্ম্মত দলাদলি আৰু সাম্প্ৰদায়িকতা থাকিব নোৱাৰে। মানুহে নিজৰ অভি-ৰুচি আৰু প্ৰকৃতি অনুযায়ী প্ৰণালী লৈ সাম্প্ৰদায়িকতা আৰু দলাদলিৰ চৰ্জন কৰে। প্ৰকৃত সত্য সাৰ্ব্বভৌমিক ধৰ্ম্মত সঙ্কীৰ্ণতা থাকিব নোৱাৰে। প্ৰকৃত ধৰ্ম্মপ্ৰচাৰক-সকলৰ মহাবাণী জগৎজুৰি বিয়াপি যায়। প্ৰকৃত ধৰ্ম্মপ্ৰচাৰকৰ ধৰ্ম্মবাণীৰ লক্ষণেই এনে। সকলো প্ৰকৃত ধৰ্ম্মৰ একে উদ্দেশ্য, আৰু সাৰ কথা একেই, অৱশ্যে প্ৰণালীতহে পাৰ্থক্য হয়। "যতেক নদনদী সমুদায়। অনেক পথে সাগৰক যায়॥"—

এইষাৰ আমাৰ মহাপুৰুষ শঙ্কৰদেৱৰ মহাবাক্য। যি সুকীয়া প্ৰণালীয়েদিয়েই নৈবোৰ বৈ যাওক, সকলোৰে উদ্দেশ্য সাগৰত পৰা; আৰু অন্তত সেইবোৰ গৈ সাগৰত পৰিবই পৰিব। অৱশ্যে ঘূৰণ বাটেদি ন-গৈ পোন আৰু উজু বাটেদি যোৱাবোৰে সোনকালে আৰু কম আয়াসতে সাগৰ পাবগৈ,—এই ফেৰাই কথা। মহাপুৰুষসকল এই উজু পথপ্ৰদৰ্শক, এইবাবে কৃপালু আৰু ভৱদুখহাৰী। যুগ-যুগান্তৰ এই দুখ, শোক, জৰা, পীড়াময় সংসাৰত নানা বাটে আওপাকে ঘূৰি, চাক-নৈয়াত পৰি, এবাৰ ওপঙি, এবাৰ তল গৈ, যাতে জীৱই হাবাশাস্তি নোহোৱাকৈ সহজ বাটেদি গৈ ঈশ্বৰৰ চৰণৰ ছাঁত জিৰাবগৈ পাৰে, তাকে কৰলৈ তাকে দেখুৱাবলৈ পৰমগুৰু মহাপুৰুষসকল পৃথিবীলৈ আহে। যুগভেদে, কালভেদে, দেশভেদে, মানুহৰ প্ৰকৃতিভেদে, ঈশ্বৰৰ বাণী বহন কৰি আনোতা মহাপুৰুষসকলৰ উদ্দেশ্য একে হলেও উপদেশৰ প্ৰণালীভেদ হয়। বুদ্ধদেৱৰ উপদেশৰ প্ৰণালী সেই-কালৰ সেই মানুহৰ সেই অৱস্থাৰ উপযোগী নিশ্চয় আছিল; সেই প্ৰণালী এতিয়াৰ কালৰ উপযোগী হয় কেনেকৈ? সত্য, ত্ৰেতা, দ্বাপৰত আবিৰ্ভাব হোৱা মহাপুৰুষ সকলৰ উপদেশৰ প্ৰণালীও সেই সেই কালৰ উপযোগী আছিল, সেই কালবোৰ এতিয়া নাই, সেইদেখি সেই প্ৰণালীবোৰেদি এই কালৰ মানুহৰ উপযোগী ঈশ্বৰৰ কৰুণাৰ আনন্দমৃতং ৰসৰ নিজৰা নবয়; এতিয়াৰ নতুন প্ৰণালী নামধৰ্ম্মৰ নতুন সোতাইদিহে শ্ৰীমন্তশঙ্কৰে বৈকুণ্ঠৰপৰা পাৰ ভাঙি দি বোৱাই অনা ভক্তিৰসৰ নিজৰা বৈছে, কাৰণ এই আহল-বহল ভৱা-সোতাইদিহে কলিকালৰ দুৰ্ঘোৰ বিষয়ী বেহেৰুৱাসকলৰ ডাঙৰ ডাঙৰ জাহাজবোৰ চলিব। গীতাত ভগৱন্তই কৈছে—

"মমবৰ্ত্মানুবৰ্ত্তন্তে মনুষ্যাঃ পাৰ্থসৰ্ব্বশঃ।"

অৰ্থাৎ ভগৱন্তই কৈছে—যি যি বাটেই যাওক, যি ভাবেই পূজা অৰ্চ্চা কৰক সকলোবোৰ মোলৈ নাহি নোৱাৰে, কাৰণ মোলৈ অহাৰ বাহিৰে আন কলৈকো যাবলৈ বাট নাই। অনেকে এই কথাৰ আচল মানে নুবুজি বিকৃত অৰ্থ কৰি কয়—"তেনেহলে আমি যি বাটেই চলোঁ, তাত হানি কি? সেই সেই বাটে গলেও যেতিয়া ঈশ্বৰ আমাৰ হাতৰপৰা সাৰিব নোৱাৰে। আৰু আমি যি কৰোঁ, যেনেকৈ যিহকে দিওঁ সি গৈ তো তেওঁত পৰিবগৈ।" এই দৰে কোৱাসকলে এই ফেৰা কথা ভাবি নাচায়, যে ঠিক বাটেদি গৈ, জানি-শুনি আমাৰ সেৱা ভক্তি ঈশ্বৰক অৰ্পণ কৰিলে তাৰ ফল মহৎ, আৰু তেনে নকৰি অন্ধ ভাৱে চলিলে যদিও আমাৰ নৈবেদ্য তেওঁত



পৰিবগৈ কিন্তু সি বিফল বা সিমান ফল দায়ক নহয়। ধৰোঁ,—মোৰ এখন জমিদাৰী আছে; তাত থকা কিছুমান মানুহে মোক সিহঁতৰ গৰাকী বুলি কৃতজ্ঞভাৱে মোক সিহঁতৰ উপাৰ্জ্জিত দ্ৰব্য বস্ত্ব উপহাৰ দিয়ে; আৰু কিছুমান মানুহ তাতে আছে হয়, কিন্তু সিহঁতে তেনে নকৰে, মোক নাজানে, নামানে। তথাপি এইটো ঠিক যে সিহঁতৰ খাজনা বা উপাৰ্জ্জিত বস্ত্ব মোৰ দ্বাৰাই অনা হবই, কাৰণ সিহঁত যেতিয়া মোৰ প্ৰজা আৰু মোৰ জমিদাৰীত সিহঁতে বাস কৰিছে আৰু নকৰি নোৱাৰে, সিহঁতে মোৰ প্ৰাপ্য দিবই লাগিব। কিন্তু সিহঁতে মোক কৃতজ্ঞতাৰে সৈতে জানি-শুনি সিহঁতৰ দেয় নিদিয়া বাবে, মোৰপৰা acknowledgement প্ৰাপ্তিস্বীকাৰ, প্ৰীতি আৰু সন্তোষৰ আনন্দপত্ৰ নাপায়। সেইদেখি সিহঁতৰপৰা মই পোৱা বস্তও সিহঁতৰ পক্ষে বিফল। সিহঁত মোৰ এলেকাৰপৰা বাহিৰত থাকিব নোৱাৰে, অথচ সিহঁতৰ আৰু মোৰ ভিতৰত প্ৰণয় সৌহৃদ্য আৰু সন্তোষৰ আনন্দ নাথাকিল। মোৰে সৈতে সিহঁতৰ আনন্দৰ সম্বন্ধ নথকাত, মোৰ যে কিবা লোক-চান হৈছে এনে নহয়, কাৰণ মই মোৰ প্ৰাপ্য আদায় কৰিছোঁ; কিন্তু এনে মধুৰ সম্বন্ধেৰে বঞ্চিত হৈ সিহঁত আত্মতৃপ্তি আৰু পৰমানন্দৰপৰা বঞ্চিত হল। অজ্ঞান মানুহে সিহঁতৰ গৰাকীৰ সৈতে মধুৰ সম্বন্ধ অবিচ্ছিন্ন ভাৱে কেনেকৈ ৰাখিব লাগে, আৰু ৰাখিলেইহে সিহঁতৰ সুখ আনন্দ আৰু জন্মৰ সাৰ্থকতা, এই কথাকে ভালকৈ বুজাই দিবলৈ মহাপুৰুষ ধৰ্ম্মপ্ৰচাৰক সাধুসকল আহে। এই ডাঙৰ কথাটো পাহৰি যোৱা অধম আমাক এই কথা ভালকৈ কৈ দি উদ্ধাৰ কৰিবলৈকে আমাৰ মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ শ্ৰীমাধৱদেৱ পৃথিবীলৈ আহিছিল। মহাবলৱন্ত ঘোৰ দুৰ্ব্বাসনা-গ্ৰস্ত আমি ইষ্টদেৱ বুলি পৰমেশ্বৰক নভজি, তেওঁক নিজৰ পিতৃগুৰু ইষ্টবুলি নাজানি, নিকাৰ ভুঞ্জি অজ্ঞান-আন্ধাৰ সংসাৰত মজি থকা দেখি, হাতত ভকতি-প্ৰদীপ লৈ, ৰাম-নামৰ নৌকা ঘাটত ৰাখি, তাত আমাক তুলি নিবলৈ যিজন আমাৰ নিজগুৰু মহাপুৰুষ আজি প্ৰায় চাৰে-চাৰি শ বছৰৰ আগেয়ে আহিছিল, সেইজন মহাপুৰুষক বিশেষভাৱে আজি সুমৰণ কৰিবৰ দিন। হিন্দু, মুছলমান, খৃষ্টান, শাক্ত, শৈৱ, বৈষ্ণৱ, ব্ৰাহ্মণ, শূদ্ৰ, পাপী, পুণ্যৱন্ত, ৰজা, প্ৰজা ধনী দুখীয়া, সকলো অসমীয়া আহঁা আজি আমি সেই মহাপুৰুষক কৃতজ্ঞতা জনাই ভৱদুখহাৰী পৰমেশ্বৰৰ নাম, যি ভাষা যি মাতেৰেই হওক, কায়বাক্যে মনেৰে লৈ, উচ্চ কৰি হৰিবোল কৰি নামধৰ্ম্মৰ নৌকাত উঠি ভৱ-সংসাৰ পাৰ হওঁহক। চোৱা হেৰা অন্ধলা চোৱা! কৃপালু

শুৰিয়ালজনে কৰুণাৰ নেত্ৰেৰে তোমালোকলৈ কেনেকৈ চাই তোমালোকত হাত-বাউলি দি মাতিব লাগিছে!

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা।

---

# কামৰূপ মহাপুৰুষীয়া ধৰ্ম্মালোচনী সভা।

শ্ৰীশ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱ দুইজনা গুৰুৱেই আসামত বৈষ্ণৱধৰ্ম্ম প্ৰচাৰ কৰা আজিলৈকে প্ৰায় ৫ পাচ শ বছৰ অতীত হৈ গল। তাৰা দুইজনে যিসকলক ধৰ্ম্মাচাৰ্য্য পাতি গৈছে, সেইসকলৰ বংশধৰসকলে এই ধৰ্ম্ম আজিলৈকে প্ৰচাৰ কৰি আহিছে। দেখা যায় সেই মহন্ত গোসাঁইসকলৰ বংশধৰসকল অশিক্ষিত হৈ অহা হেতুকে ক্ৰমে ধৰ্ম্মৰপৰা হ্ৰাস হৈ আহিবলৈ ধৰিছে। বিশেষতঃ এনে ঘটনা দেখা গৈছে যে অনেক শিক্ষিত ভকতে মূৰ্খ গুৰুৰ ঠাইত ধৰ্ম্মগ্ৰহণ নকৰি, শিক্ষিত গুৰু বিচাৰি ফুৰোঁতে উপযুক্ত গুৰু নোপোৱাৰ বাবে আধা বয়স কাটিছে নাইবা তেনেকৈয়ে ইহলোক ত্যাগ কৰিছে। নামত গুৰু হৈ কামত নহলে সি গুৰুৰপৰা একো ফল নহয়। শাস্ত্ৰত কৈছে যে "শাস্ত্ৰতো শকত আৰু গুৰুতো ভকত। সেই গুৰু উপদেশৰ হয় শকত॥" বৰ্ত্তমান অৱস্থাত এনে গুৰু দুৰ্ল্লভ হৈ উঠিছে। যদি এনে ভাৱে আৰো কিছুদিন থাকে তেন্তে ধৰ্ম্ম লোপ পাবৰে সম্ভৱ।

বৰ্ত্তমান চহা মানুহবিলাকৰ ভিতৰত দেখা যায় যে তেওঁলোকে যি গুৰু ধনী আৰু জাকৃজমক্ কৰি ফুৰে, তেওঁ উপদেশ দিব পৰা বিদ্বান্ আৰু জ্ঞানী হওক কি নহওক তাক বিবেচনা নকৰি, নিজ গুৰু পৰিত্যাগ কৰিও সেই গুৰুৰ ঠাইত শৰণ লয়। কিন্তু এই লোভী কথা যে বেছি দিন থাকিব এনে বিশ্বাস অতি কম। দেশৰ সৰ্ব্বসাধাৰণৰ ভিতৰত শিক্ষাৰ চৰ্চ্চা ক্ৰমে বৃদ্ধি পাই আহিছে। কিছুমান দিনৰ শেষত যেতিয়া শিক্ষিতৰ সংখ্যা অধিক হৈ উঠিব তেতিয়া ধন আৰু জাকৃজমকৰ আদৰ কমিব। এই কথাটি যে আমাৰ দেশত কেনে ভয়ঙ্কৰ কথা হৈ উঠিছে তাক বোধ হয় আমাৰ বৈষ্ণৱ সম্প্ৰদায়ৰ সকলো শিক্ষিত মহাশয়ে এবাৰ ভাবিলে ভবিষ্যতৰ চিত্ৰ চকুত পৰিব তাৰ কোনো সন্দেহ নাই।



এইবোৰ ভাবি গুণি আমি কামৰূপ জিলাৰ কেইজনমান মহন্তই গোটখাই আজি ৪।৫ বছৰৰপৰা আলোচনা কৰি ঘাইকৈ যোৱা বছৰৰপৰা উত্তৰ, দক্ষিণ দুইও পাৰে ঠাইয়ে ঠাইয়ে যাতায়াত কৰি, অনেক মহাজনৰ বংশ (ঘাইকৈ ৰামচৰণ ঠাকুৰৰ বংশ, ঠাকুৰ আতাৰ বংশ, পহিয়া আতৈৰ বংশ আৰু লক্ষ্মীকান্ত আতৈৰ বংশ) গোটখাই এটি "মহাপুৰুষীয়া ধৰ্ম্মালোচনী" সভা স্থাপন কৰি ক্ৰমে ৬।৭ খন সত্ৰত সভা বহি, সেই সভাত ধাৰ্য্যক্ৰমে মহন্ত গোস্বামীসকলৰ লৰাবোৰে সংস্কৃত শিক্ষা আৰু যাতে শাস্ত্ৰাদিত পাৰ্গত হৈ গুৰুৰ উপযুক্ত হব পাৰিব, সেই উদ্দেশ্যে এখন সংস্কৃত টোল স্থাপন কৰি,যোৱা ১৮ আহাৰৰপৰা দক্ষিণ পাৰে শিকাৰ-হাটী সত্ৰত "শঙ্কৰ বিজয় সংস্কৃত টোল" নাম দি এটি টোল খোলা হৈছে।

এই টোলত সম্প্ৰতি ১৭৲ টকা বেতনত এজন উপাধি পোৱা ব্ৰাহ্মণ পণ্ডিত ৰখা হৈছে। এওঁ কেৱল সংস্কৃতহে শিকায় আৰু এজন ভাল জনা মহন্ত কিম্বা উদাসীন ভকত ৰখা যাব। তেওঁ নামঘোষা কীৰ্ত্তন ঘোষা আদি ধৰ্ম্মশাস্ত্ৰ পঢ়াব আৰু নাম প্ৰসঙ্গাদি কৰিবলৈ শিকাব। আৰৌ এইটিও স্থিৰ হৈছে যে যদি টকা সংগ্ৰহ হয়; তেন্তে এই টোলতে এজন মাষ্টৰ ৰাখি কিছু ইংৰাজিও শিক্ষা দিয়া হব।

এতিয়া কথা হৈছে যে মাত্ৰ টকাৰ সম্বল। বৰ লাজ আৰু দুখৰ বিষয় এই যে কোনো কোনোৱে দিয়া দানত প্ৰায় ২০০৲ দুশমান টকা পোৱা হৈছিল। তাৰ ৫০ পঞ্চাশটি মান টকা ঘৰ বন্ধাত খৰচ কৰি কেৱল ১৫০ শ টকা হাতত লৈ, এই বৃহৎ আয়োজনটি পতা হৈছে। সভাই সাহ কৰিছে যে এই শুভ কামত দেশৰ ধনী, নিৰ্দ্ধনী সকলোৱে উপযুক্তমতে দান কৰিব। মোট কথা, ৰাইজৰ মুখাপেক্ষী হৈয়েই এই কামত হাত দিয়া হৈছে।

সম্প্ৰতি ৰাইজৰ ওচৰত এইখিনি জনাই আজিলৈ সামৰিলোঁ। সভা সম্বন্ধে কব লগা কথা বহুত আছে।

শ্ৰীহলিৰাম মহন্ত।

---

# গোহাৰি।

সকলোৱে শুনিছে যে নগাওঁ চহৰত মহাপুৰুষ ৺শঙ্কৰদেৱৰ নামে এটি মন্দিৰ হৈছে। এই মন্দিৰত অন্যান্য মন্দিৰৰ দৰে পূজা যাগ-যজ্ঞ আদি একো নহয়। এই মন্দিৰৰ প্ৰধান উদ্দেশ্য আজি চাৰিশ বছৰৰ পূৰ্ব্বে যি জনা মহাপুৰুষে এই আসামত জন্মগ্ৰহণ কৰি গোটাই অসমীয়াক ঈশ্বৰ প্ৰাপ্তিৰ সুবিমল পথ দেখুৱাই গল, সেই মহাপুৰুষৰ সেই পবিত্ৰ পথ অনুসৰণ কৰি ভক্তসকলে চাৰি প্ৰসঙ্গ নাম কেনেকৈ লয় তাকে ৰাইজক দেখুৱা বা সেই আহিঁ ৰক্ষা কৰা। আৰু আসামৰ সকলো পুৰণি পুথিবিলাক গোটাই ৰখা। কাৰণ পুৰণি পুথিবোৰ কতো একেঠাইতে পাবলৈ নাই, কোনো জনে কেতিয়াবা পঢ়িবলৈ বিচাৰিলে নেপায়, আৰু কতবিলাক কত ঠাইত ধোৱাচাঙৰ ওপৰতে নষ্ট হৈছে, সেইগতিকে সকলোবোৰ সুবিধা হব বুলি আশা কৰিয়েই এই কাম হাতত লোৱা হৈছে। এই গুৰুতৰ কাম এজনে কিম্বা এঠাইৰ মানুহে কৰা টান, সেইগতিকে সকলো ৰাইজৰ কাষত আজি হাত পাতিছোঁ।

আমাৰ গোহাৰি এই যে প্ৰায় ঠাইতে পুৰণি সাঁচিপতীয়া অনেক পুথি আছে। সেই পুথিবোৰ সেই ঠাইৰ মানুহে যত্ন কৰি আমাক গোটাই নিদিলে আমি পাবৰ আশা কৰিব নোৱাৰোঁ। কত ধোৱাচাঙত তুলি থোৱা পুঠি এনে ভাৱে আছে যে তাক আৰু লিখোতাজনৰ বাহিৰে কোনেও মেলা নাই। মাথোন সেই পুথিয়ে থাপনা শুৱনি কৰিছে। কতই আগত ভোগ দি সেৱা পূজা আদি হে কৰিব পাৰিছে মেলি চাবৰ শক্তি হোৱা নাই। এনে ধৰণৰ পুথিবোৰ আমি গোসাঁই মহন্ত সকলৰ যত্নৰ বাহিৰে পাব নোৱাৰোঁ। গাৱঁৰ গোসাঁই মহন্ত সকলোৱে এইটো নিজৰ কাম বুলি ভাবি যেন অলপ যত্ন কৰি সেই পুথিবিলাক আমাক গোটাই দিয়ে। তাৰ উপৰিও প্ৰায় প্ৰত্যেক সত্ৰতে সিবিলাকৰ নিজা নিজা চৰিত্ৰ পুথি আছে বুলি আমাৰ বিশ্বাস; সেই পুথিবিলাক সিবিলাকে অনুগ্ৰহ কৰি আমাক নিদিলে আমি শিলত মূৰ আফালিলেও পোৱা টান। এতেকে সেইসকলৰ ওচৰত আমি সৰল গোহাৰি কৰোঁ। যেন আমাক যত্ন কৰি যি যি পাৰে পুৰণি পুথি গোটাই দিয়ে। অকামিলা বুলি যেন কোনো পুথি বাদ দিয়া নহয়।

বৰ্ত্তমানে আমি কোনো ফালৰপৰা কোনো পুথি পোৱা নাই। যোৱা ফাগুন



মাহত মুঠে শ্ৰীল শ্ৰীযুক্ত খোৱাঁনোছৰ সত্ৰাধিকাৰ গোসাঁয়ে মহাপুৰুষ শঙ্কৰদেৱৰ ৰচিত "ৰত্নাকৰ" নামক পুথিখনি দিয়ে। সেই পুথিকেই এতিয়া থাপনা কৰা হৈছে। আৰু এটি কব লগীয়া কথা এই যে, এই মন্দিৰত কোনো মূৰ্ত্তি থাপনা কৰা নহয়। ইয়াত সেই পুথিবিলাককে থাপনা কৰা হব। মণিকূট কেৱল পুথিৰ নিমিত্তেই।

এই মন্দিৰত বৰ্ত্তমানে এজন গোসাঁয়ে পুৱা গধূলা নাম লয়। আমাৰ ইচ্ছা, এই মন্দিৰত অসমীয়া নাম প্ৰসঙ্গ ভাৱনা আদিৰ পুৰণা সজুলিবিলাক যোগাৰ কৰি ৰখা। আৰু সেইবোৰৰ ব্যৱহাৰ কেনেকুৱা, ৰাইজৰ আগত দাঙি ধৰা। বৰ্ত্তমানত কীৰ্ত্তন ঘৰটো স্থায়ী হৈছে। মণিকূটো এক প্ৰকাৰ স্থায়ী। থাপনাৰ নিমিত্তে এখনি সিংহাসন অনা হল। বাকী অনেক বস্তু এতিয়াও গোটাবপৰা নাই। ডবা শংখ ঘণ্টা, বৰ কাঁহ ইত্যাদি একো বস্তুৱেই গোট খোৱা নাই। লাহে লাহে গোটাবলৈ দিহা কৰা হৈছে। কোনো উদাৰমনৰ পুৰুষে যি কোনো বস্তুকে এই মন্দিৰৰ নিমিত্তে লাগতীয়াল বুলি ভাবি উছৰ্গা কৰে মন্দিৰে তাক সাদৰে গ্ৰহণ কৰিব। ইয়াত কোনো জনে এনেকৈয়ো কব পাৰে যে পুথিৰ ভঁৰাল এটাত ডবা শংস ঘণ্টা কেলেই। কিন্তু সেই কথাৰ উত্তৰত আমি কওঁ যে এনেকুৱা কোনো ঠাইত গোটাই সকলোবোৰ বস্তু নৰখা বাবে বহুত অসমীয়া বস্তুৰ নামকো পাবলৈ নাই-কিয়া হৈছে। যেনে "কৰতাল" বা "ৰামতাল"। এই তালৰ নামো বোধ কৰোঁ কোনোজনে বুজিব নোৱাৰিব। ই অন্য একো নহয় কেৱল চাৰি ফাল কাঁহ। একে হাতেই দুফাল দুফাল লৈ বজায়। কব পাৰে এইবোৰ বস্তু হেৰালেনো আমাৰ হানি কি? কিন্তু ভাবি চাব লাগিব আপোনাৰ ঘৰৰ ফটা নিহালীখনৰপৰা গজমুক্তালৈকে সোপাকে গোটাইহে আপোনাৰ গৌৰৱ।

এতেকে আমি গোটাই অসমীয়া ৰাইজৰ ওচৰত খাটোঁ। যেন সকলোৱে আমাৰ এই কথালৈ অলপ কাণ কৰি, অন্য নহলেও অসমীয়া পুৰণি পুথিবিলাক গোটাই যি যিমান পাৰে আমাৰ নামে নগাওঁ শঙ্কৰদেৱ মন্দিৰলৈ পঠাই দিয়ে। এয়ে আমাৰ সৰল গোহাৰি।

শ্ৰীপুলেশ্বৰ মহন্ত।

# ৰজাঘৰীয়া পুৰণি চিঠি।

## (৭)

কছাৰীৰজা তাম্ৰধ্বজ নাৰায়ণে ১৬২০ শকত স্বৰ্গদেও ৰুদ্ৰসিংহলৈ কছাৰীৰ কটকী গন্ধৰ্ব্বৰায়ৰ হাতত এই চিঠিখন পঠিয়াইছিল।

"স্বস্তি প্ৰচণ্ডভুজদণ্ডকোদণ্ডানতকাণ্ডখণ্ডখণ্ডিতক্ৰূতাবিমুণ্ড নিৰ্জ্জিতাশেষৰিপুমণ্ডল মহামহিমমহিমাবন্ত গম্ভীৰ প্ৰচণ্ডপ্ৰতাপ নৰনাথ বিশ্ববিভ্ৰান্তকীৰ্ত্তিচন্দ্ৰ হেড়ম্বপুৰ-পুৰন্দৰ শ্ৰীমৎতাম্ৰধ্বজনাৰায়ণ মহামহোগ্ৰপ্ৰচণ্ডপ্ৰতাপচৰিত্ৰানাং।"

"স্বস্তি বিবিধগুণগ্ৰামৈকধাম শৰদিন্দুসুন্দৰ নিজকুলকমলপ্ৰকাশৈকভাস্কৰ শ্ৰীযুত নামজ্ঞানিৰাজ্ঞাসত্ত্বদাৰচৰিতেষু।"

"আৰ ৺কুশল তোমাৰ কুশল সদা বাঞ্ছনি। আৰ সমাচাৰ এই, পূৰ্ব্বাপৰ অবধি যেমত বিধ প্ৰীতি আছিল তাক তুমিয়ো জানা। আৰ মধ্যে ৺উকীল পঠাইছিলাম; তাতে দোষ দিলা, মৃতকেৰ পত্ৰ দিয়া আসিছে কৰিয়া; আৰ ৺নাজানিছিলাম, সে ৺মৃত্যু হৈছে। আৰ এই কাৰণ ৺পত্ৰ উকীল অনাদৰ কৰিলা। আৰ সেই অবধি ৺উকীল পত্ৰো নপঠাই। আৰ এমতবিধ কৰিবা যেন দিন দিন অধিকাধিক প্ৰীতি বাঢ়িতে যায়। আৰ বিশেষ কি লিখিম। আপোনে সমস্তে জান। আৰ যে সমাচাৰ হয় তাৰে ৺ৰাইদাৰ গন্ধৰ্ব্বৰায় প্ৰমুখে শুনিবা। আৰ তোমাৰ নিমিত্ত সন্দেশ পত্ৰ, ১ মোনা জাতিচন্দন, ১ মোনা জাইফল, শীতলীয়া পাটী ১টা। ইতি শক ১৬২০, তেৰিখ ৩ ফাল্গুনস্য।"

ইতিপূৰ্ব্বে কছাৰীৰজাই আমাৰ ৰজালৈ এখন চিঠি দিছিল কিন্তু সেই চিঠি যেতিয়া আমাৰ ৰজাঘৰ পালেহি, তেতিয়া যিজন ৰজাৰ নামে চিঠি পঠাইছিল সেই জন ৰজা স্বৰ্গী হৈছিল। সেইবাবে আমাৰ নতৈক হোৱা ৰজাই মৃতক ৰজাৰ চিঠি নেৰাখি ওভোটাই দিলে। সেই কথাত কছাৰী ৰজাই অপমান পাই আমাৰ ৰজালৈ অনেক দিন চিঠি নিদিয়াকৈ আছিল। এই চিঠিত তাম্ৰধ্বজ ৰজাই সেই কথাকে উল্লেখ কৰিছে। কছাৰীৰজাই যদিবাও এই চিঠি আগৰ প্ৰীতি স্থাপনৰ উদ্দেশে লেখিছিল তথাপি তাৰ ফল বিপৰিত হে হল।

এই চিঠিত আমাৰ ৰজাৰ নাম তলত আৰু কছাৰীৰজাৰ নাম ওপৰত দিয়া বাবে, স্বৰ্গদেও ৰুদ্ৰসিংহে বৰ অপমান বোধ কৰি, চিঠি অনা কছাৰী কটকী গন্ধৰ্ব্ব-



ৰায়ক গুৰুতৰ দণ্ড বিধান কৰিব খুজিছিল কিন্তু আমাৰ তিনিজন ডাঙ্গৰীয়াই স্বৰ্গদেওক অনেকৰূপে বুজোৱাত হে কছাৰী কটকীক ক্ষমা কৰিলে কিন্তু কছাৰী ৰজাই দিয়া চিঠিখন ফালি পেলাই কটকীক দেশলৈ ওভোটাই পঠালে। আমাৰ ডাঙ্গৰীয়াসকলে কছাৰী কটকীক বুজাই কলে যে যদি কছাৰী ৰজাই সঁচাকৈয়ে আমাৰ ৰজাৰ সৈতে প্ৰীতি স্থাপন কৰিব খুজিছে, তেনেহলে তেওঁ আগৰ নিয়ম মতে চিঠি পত্ৰ আনিলেহে আমাৰ ৰজাই কছাৰী ৰজাৰ প্ৰাৰ্থনা গ্ৰহণ কৰিব। গন্ধৰ্ব্বৰায়ে, নিজ দেশলৈ উভতি গৈ কছাৰীৰজাক এই অপমানৰ কথা জনাণত, তাম্ৰধ্বজ ৰজাই খঙতে অধীৰ হৈ নিজক আহোমৰজাৰ তলতীয়া নহয় বুলি ঘোষণা কৰিলে। তাৰ ফলত কছাৰীৰ লগত আমাৰ এখন বৰ ডাঙ্গৰ যুদ্ধ লাগে। সেই যুদ্ধৰ বিষয়ে গেইট চাহাবে তেওঁৰ বুৰঞ্জীত এই দৰে লিখিছে :—

"At last Tamradhvaj, who was ruling when Rudra Singha ascended the Ahom throne, boldly proclaimed his independence. Rudra Singha was not the man to brook such an insult, and in December 1706, two armies numbering in all over 70,000 men were despatched to invade the Kachari country, one force marching up the bank of the Dhansiri and the other proceeding *via* Raha and the valley of the Koplti. The Kacharies offerd but little resistance to this overwhelming force and their capital at Maibong was occupied without much difficulty. Tamradhvaj fled to Khaspur in the plains of Cachar."

তাৰ পাছত তাম্ৰধ্বজে স্বৰ্গদেও ৰুদ্ৰসিংহলৈ অনেক কাকুতি মিনতি কৰি চিঠি লিখাত ৰুদ্ৰসিংহই তেওঁক ক্ষমা কৰে। তেতিয়াৰেপৰা কছাৰীৰজা একেবাৰেই আমাৰ ৰজাৰ কৰতলীয়া হয় আৰু বছৰি বছৰি আমাৰ ৰজাক কৰ শোধায়।

শ্ৰীহেমচন্দ্ৰ গোস্বামী।

## ঈদ মোবাৰক।

হিংসা, দ্বেষ, ক্রোধাদিৰ হই সংহাৰক,
ধৰাত নামিছে আজি "ঈদ মোবাৰক"।

মিলনৰ সোঁত বয় মোছলেম প্ৰাণত,
এনে মিল পোৱা টান বিছাৰি আনত।

প্ৰাণৰ যি শত্ৰু আজি সিও পাহৰিছে,—
শত্ৰু জ্ঞান, মিলনত পৰাণ মজিছে।

দূৰ দুৰণিত যত আছে জ্ঞাতি ভাই,
মিলনাৰ্থে সিও আজি হৈছে একেঠাই।

আদৰ সাদৰ কেনে প্ৰীতি সম্ভাষণ,—
জনাই আনন্দ সুখ লভে জনে জন।

"সুখেৰে ৰাখোক আল্লা' তোমাৰ জীৱন"
উচ্চাৰিছে সাক্ষাতত পবিত্ৰ বচন।

জনে জনে আশীৰ্ব্বাদ কৰোঁ মোৰ ভাই!
এনেকুৱা দিন নিতে পাবলকো নাই।

ক্ষুদ্ৰ হৃদয়ৰ সবে লোৱাঁ আশীৰ্ব্বাদ,
প্ৰতিদান দিয়াঁ মোক নাৰাখি বিবাদ।

এম, মোছলেহ উদ্দিন আহমদ।

---



## বসন্তৰ শোভা।

আহিল বসন্ত যেই আঁতৰিল শীত।
আনন্দে গাইছে যত পক্ষী সবে গীত॥

যত মতলীয়া অলিকুল মধু লোভে।
প্ৰত্যেক ফুলত গুণ গুণ কৰি শোভে॥

নানা ফুল ফুলি তৰু লতাক শুৱায়।
তাক দেখি সকলোৱে অতি ৰং পায়॥

দেখিলে আনন্দ লাগে নয়ন জুৰায়।
নিজৰ কাৰ্য্যত সবে নিয়োজিত হয়॥

নানা ৰকমৰ শোভা চাওঁ ঘূৰি ঘূৰি।
উলাহত ফুৰে সবে ৰং মন কৰি॥

ফুলৰ সৌৰভে সবে হৰষিত হওঁ।
সংসাৰৰ গৰাকীৰ শলাগনি লওঁ॥

কুলিৰ কু-উ-উ মাত ওলাল মুখত।
যত মানে বিৰহিণী কাতৰ দুখত॥

সখিয়তী সহদেউ অনেক চৰাই।
সুললিত সুৰে কিনো প্ৰভু গুণ গাই॥

ধন্য ধন্য ভগৱান ধন্য তব মায়া।
কৰোঁ দণ্ডৱৎ চৰণত স্থান দিয়াঁ॥

শ্ৰীমতী যমুনেশ্বৰী শইকীয়া।

---

# তুমি-মই।

একেটি আতমা দুয়োৰো মাজত,
নাই একো ভেদাভেদ ;
তোমাৰে মোৰে কি দীঘল মিলন,
কোনে দিব তাৰ ছেদ !
তাহানিৰ সউ প্ৰথম চিনাকি,
সউ তাহানিৰ কথা,
বুকু ফালি চালে এতিয়াও পাওঁ
মৰমে মৰমে গথা।
লয় পালে কত বৰ্ষ মাহ দিন
কাল-সাগৰত পৰি,
আমাৰ মধুৰ চেনেহ কোনেও
নিব পৰা নাই হৰি।
ধুমুহা বতাহে নোহাৰি মোহাৰি
মানিছে শেহত হাৰ ;
থৰ লাগি বৈ একোবাৰ ভাবোঁ
তুমি মই কোন কাৰ ?

শ্ৰীসিংহদত্ত দেৱ অধিকাৰী।

---

# বাপেক-পুতেক।

পুতেক। দেউতা, মই পৰীক্ষাত "পাচ" হলোঁ।

বাপেক। ( থঙত জ্বলি পকি ) কি! কি কলি? কটা, অত ধন ভাঙি তোক অতদিন পঢ়ালোঁ শুনালোঁ, শেহত তই গৈ পাছ হে হলি? ইমানৈকেহে মই তোক অতনাদিন পঢ়াইছিলোঁ? ( হালোৱা এচাৰিবে কোবাবলৈ ধৰে )

পুতেক। বৰ দেউতা নোকোবাবও, মোৰ কথা শুনি ল'ক। মই পৰীক্ষাত উঠিলোঁহে, পাছ পৰা নাই। তুমিহে বুজা নাই।

বাপেক। ( কোবাবলৈ এৰি ) কেনে পালি এতিয়া বাপেৰে। অথ নিৰেপৰা তেও তাকে নকয়হে।

শ্ৰীকৃষ্ণচন্দ্ৰ ৰাজকোঁৱৰ।